চান্দমামা

মার্চ ১৯৯১

RAMBO IV
No more evil, injustice and crime will be tolerated in this city. The relentless crusader is here. With his famed Zap Gun (the three sound gizmo that's the terror of the underworld) and his fleet of rough 'n tough ready-for-action vehicles — Wrecker, Super Dumper and Fire Engine. And of course, his missile-firing Helicopter. So... breathe easy. The one man army is here.
SAMMO
Mechanical and electronic toys
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras 600 026
Mudra M CTPL 4093

''मेरि'' गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

চান্দমামা

*

মাৰ্চ ১৯৯১

এই * আছে

সংখ্যাত

*

জাপানৰ সম্রাট	:	৯	বুদ্ধিমান	:	৪১
ন্যায়বন্ত নন্দু	:	১১	বীৰ হনুমান	:	৪৫
চুড়া চাই সোপা	:	১৬	দুখীয়া কাক বোলে	:	৫৩
দস্যু যুৱৰাজ	:	১৭	চন্দ্ৰহাৰ	:	৫৭
যি গছৰ ছাল নাই	:	২৫	উগাৰ	:	৫৯
চান্দমামা ক্ৰোড়পত্ৰ	:	৩৩	যোগ্যপুত্ৰ	:	৬০
পৃথিৱীৰ পৌৰাণিক কাহিনী	:	৩৭	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

খনে : ৩.০০ বছৰেকীয়া বৰঙণি ৩৬.০০টকা মাথোন

JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR QUEST
Where finding out is fun
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   বি নাগিৰেড্ডি : সঞ্চালক

শান্তিৰ গোপন কথা

অন্য অন্য বছৰৰ দৰে, ১৯৯১ চনীয়া বছৰটোৱো ভাল আৰু বেয়াৰ সমল কঢ়িয়াই লৈ আমাৰ আগত উদিত হৈছে। দিন-সপ্তাহ মাহ অতিক্ৰান্ত হ'ব, আৰু আমিও তাৰ প্ৰকৃত ৰূপ দেখা পাম। আৰু তাৰ প্ৰকৃত ভালখিনিলৈ নিশ্চয় সমৰ্থন জনাম।

বহু বহু উদ্বিগ্নতাময় বছৰৰ অন্তত এই দেখি আমি কিঞ্চিত স্বস্তিৰ উশাহ এৰিব পৰা হৈছোঁ যে—পৃথিৱীৰ দুই বৃহৎ শক্তি—আমেৰিকা আৰু ছোভিয়েত ৰুশ—আগৰ হিংসা-অসূয়া পাহৰি পৰস্পৰৰ নিকটৱৰ্তী হৈছে। এই দুই শক্তিয়ে যিকোনো মুহূৰ্তত সমগ্ৰ জগতখনকে বিপদাপন্ন কৰি তুলিব পাৰে। কিন্তু এতিয়া বিদ্বেষমুক্ত হৈ, পুৰণিদিনীয়া শত্ৰুতাক ধোঁৱাচাঙত তুলি থৈ, বিশ্বস্ততাৰে বিশ্বশান্তিৰ বাবে প্ৰচেষ্টা চলোৱা দেখা গৈছে।

কিন্তু আমি এই কথাটি পৰিষ্কাৰভাবে জানো যে—যুদ্ধৰ অংকুৰ পোন প্ৰথমে মানুহৰ মনতহে অংকুৰিত হয়, পাছত সেই অংকুৰ মহীৰুহ হৈ সকলোতে ৰক্তক্ষয়ী আকৃতি লৈ বিয়পি পৰে : গতিকে আহক—আমি আমাৰ নিজৰ মনত শান্তিৰ নিজৰা বোৱাওঁ।

আমিও শান্তিৰ গোপন দুৱাৰ খুলিম।

বছৰ : ১৫   মাৰ্চ ১৯৯১   সংখ্যা : ১২

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা



এক উৎফুল্লিত নতুন শক্তিৰ আমেজ...
মজা লওক টাৰ্বোৰ
নতুন
Campco TURBO
নতুন কেম্প্‌কো টাৰ্বোৰ সতে
স্ফূৰ্ত্তিত আত্মহাৰা হওক।
শক্তিদায়ক এই 'বাৰ'টিত আছে
ক্ৰীমেভৰা মিল্ক চকলেট। উদ্দাম শক্তি
আৰু যৌৱনোচ্ছল স্ফূৰ্ত্তিৰ আনন্দ।
বিছাৰক কেম্প্‌কো, মজালগা টাৰ্বো।
– শক্তিৰে ভৰা চকলেট
TOP QUALITY LOW PRICE
ভাৰতৰ সৰ্ব্ববৃহৎ, সৰ্ব্বাধুনিক প্লাণ্টৰ উপহাৰ।
কেম্প্‌কো লিমিটেড,মাঙ্গালোৰ।
R K SWAMY/CL/8351/AS
Campco chocolates
Milk
White
Treat
TURBO
Eclairs
Playtime
RuBIES
TOFFEE
Campco beverages
WINNER
COCOA

জাপানৰ নতুন সম্ৰাট



প্ৰশান্ত মহাসাগৰীয় দ্বীপৰ দেশসমূহৰ অন্যতম হ'ল বিশ্বৰ অন্যতম প্ৰাচীন ৰাজবংশ তথা জাপান। জাপানৰ ৰাজবংশ খৃষ্টপূৰ্ব ৬৬০ চনৰপৰা প্ৰচলিত।

বহু বহু কালৰ আগৰেপৰাই ভাৰতৰপৰা জাপানলৈ বৌদ্ধধৰ্ম বিয়পি পৰিছিল; কিন্তু ঊনবিংশ শতিকাৰ মাজভাগলৈকে জাপানে বিশ্বৰ অন্যান্য দেশৰ সৈতে, বিশেষকৈ পশ্চিমৰ দেশসমূহৰ সৈতে সম্পৰ্ক স্থাপন নকৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত জাপান আছিল হিট্‌লাৰপন্থী। পোনতে জাপানে যুদ্ধ কৰি বহু দেশ জয় কৰিছিল আৰু সাফল্যৰে আমেৰিকাৰো সন্মুখীন হৈছিল। কিন্তু জাৰ্মানি তথা হিটলাৰ যেতিয়া পৰাজিত হ'ল. তেতিয়াও জাপানে তথা জাপানৰ সম্ৰাট হিৰোহিটোই আত্মসমৰ্পণ কৰাত দোমন-দোহন্ত হৈ পৰিল।

তেতিয়া আমেৰিকাই ১৯৪৫ চনৰ ৬ তাৰিখে হিৰোশ্বিমাত আৰু অগাস্টৰ ৯ তাৰিখে নাগাছাকতি অণুবোম প্ৰয়োগ কৰিলে। পৃথিৱীৰ এই ভয়ংকৰতম বিপৰ্য্যয়ৰ ফলত জাপানে আত্মসমৰ্পণ কৰিলে।

তেতিয়াৰপৰা, সম্ৰাটৰ কাৰ্য্যকলাপ নামমাত্ৰতে সীমিত। তথাপি, জাপানত সম্ৰাটৰ দৈৱী-ক্ষমতাৰ শলাগ লোৱাৰ লোক এতিয়াও অগণন। আৰু—ৰাজবংশ নোহোৱা কৰাৰ কথা ক'লে কিজানি তাত গৃহযুদ্ধহে লাগি পৰিব।

৮৭ বছৰ বয়সত ১৯৮৯ চনৰ সম্ৰাট হিৰোহিটো স্বৰ্গী হ'ল।

তাৰ পাছত তেওঁৰ পুত্ৰ ৫৬ বছৰীয়া অকিহিটোই সম্ৰাটৰ দায়িত্ব গ্ৰহণ কৰিলে। সম্প্ৰতে, 'টোকিঅ' মহানগৰীত তেওঁ ৰাজ্যাভিষেক ধুমধামেৰে অনুষ্ঠিত হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ সৰ্বনশীয়া বিপৰ্যয়ৰ ফলত জাপান প্ৰায় সম্পূৰ্ণ ধ্বংস হৈছিল, মাত্ৰ ধ্বংসাৱশেষহে আছিলগৈ। কিন্তু কঠোৰতম শ্ৰম কৰি সেই ধ্বংসপ্ৰাপ্ত দেশখনে পুনৰ উন্নতিৰ শিখৰ পাইছেগৈ। জাপানৰ জনসাধাৰণে জাপানৰ সম্ৰাটক জাতিৰ একতাৰ প্ৰতীক বুলি গণ্য কৰে।



ন্যায়ৱন্ত নন্দু

বল্লভপুৰত নন্দু নামৰ এজন দুখীয়া কৃষক আছিল। দুখীয়া হ'লে কি হ'ব, নন্দু আছিল ন্যায়ৱন্ত আৰু অতি ভদ্ৰ। সেইহে — ৰাইজে তাক 'ন্যায়ৱন্ত নন্দু' বুলিয়েই কৈছিল।

নন্দুৰ আছিল দুহালিচামান খেতি-মাটি আৰু এটা জুপুৰি ঘৰ। এই মাটিৰেপৰাই কথমপি বছৰটোৰ খোৱাৰ জোখাৰে শস্য বহু শ্ৰমেৰে উলিয়াইছিল।

নন্দুৱে এটি মাউৰা ল'ৰাক পোহ-পাল কৰাৰ দায়-দায়িত্ব লৈছিল। এতিয়া সেই ল'ৰাটোৰ মাক-দেউতাক বোলোঁতে নন্দুৱেই। ৰাইজে এই চাৰি বছৰীয়া মাউৰা ল'ৰাটোক 'নন্দুৰ পো' বুলিয়েই মাতিছিল। নন্দুৱেও মাউৰা ল'ৰাটিক তাৰ প্ৰাণতকৈও অধিক মৰম কৰিছিল।

সেই বছৰ সকলোৰে খেতি-পথাৰ শস্যেৰে নদন-বদন হৈ পৰিছিল। নন্দুৰো। আগৰ বছৰৰ তুলনাত ফচল দুগুণ হোৱা বুলিয়েই ক'ব পাৰি। গতিকে নন্দুৱে মনতে গুণা-গঁথা কৰিলে যে — আগৰ বছৰৰ তুলনাত পইচা-পাতিও দুগুণেই পাব। কেতিয়া যে শস্য পকিব, কেতিয়া যে চপাই কাটিব, তাৰে আশাত নন্দু ৰৈ থাকিল।

যোৱা দুবছৰৰেপৰাই জুপুৰিৰ চালৰ খেৰৰ অৱস্থা বেয়া হৈ পৰিছিল, বাৰিষা পানী অ'ৰ-ত'ৰপৰা মিগৰি নিগৰি পৰিছিল। নন্দুৱে ভাবিলে : এইবাৰ পইচা-পাতি হাতলৈ অহা মাত্ৰকে বাৰিষাৰ আগে আগে ঘৰটো ছোৱাব লাগিব; কিন্তু আৰু খেৰেৰে নহয়, এইবাৰ খাপৰি

কমলা কলিতা



ইটাৰে। গৰুকেটা বুঢ়া হ'ল, ইহঁতক জিৰণি দিব, নতুন গৰু কিনিব। ল'ৰাটোৰ কাৰণে ভাল চাই — কমেও চাৰিটামান—চোলা চিলোৱাব।

চাওঁতে-চিঁতোতে ভাবোঁতে-গুণোতে সময় গ'ল। খেতিৰ শইচ চপাবৰ আৰু বৰ বেছি সাত দিন আছেগৈ। এনেতে এদিন সন্ধিয়া পৰতে আকাশখনক ডাৱৰে ঢাকি ধৰিলে, প্ৰবল ধুমুহা বলিল আৰু লগতে ধাৰাসাৰ বৰষুণ। নেৰানেপেৰা। নৈ-খাল-বিল পানীৰে উপচি পৰিল। বহুতৰেই খেতি-পথাৰ ঢলনিৰ অঠাই পানীয়ে বুৰাই পেলালে।

গাঁৱৰ জমিদাৰৰ আছিল পাঁচশ হালিচাৰ নৈপৰীয়া খেতি-পথাৰ। সকলো তল গ'ল। আৰু চাওঁতে চাওঁতে ঢলনি পানীৰ সোঁত গাঁৱৰ বহু ভিতৰলৈকো আগুৱাই গৈ থাকিল।

এনে সৰ্বনশীয়া দৃশ্য চাই নন্দুৱে তাৰ হাতত থকা দীঘল লাঠীডাল শূন্যলৈ দাঙি চিঞৰি চিঞৰি কৈ থাকিল, "ছমাহদিন ধৰি মূৰৰ ঘাম ভৰিত পেলাই যিখিনি ওপজালোঁ—সেইখিনি—হে ভগৱন্ত! তুমি এনেকৈয়েই কাঢ়ি ল'বানে? নহয়, নহয়—এনে হ'বলৈ নিদিওঁ মই।"

এই বুলি চিঞৰি চিঞৰি নন্দু দৌৰি নিজৰ খেতি-পথাৰৰ কাষ পালেগৈ। তিমানতে নন্দুৰ খেতি-পথাৰতো অলপমান পানী সোমাইছিলহি। চকু ৰঙা কৰি খঙতে একো নাই হৈ নন্দুৱে ঢলনি পানীৰ সোঁতলৈ চালে আৰু ক'লে, "মোৰ খং উঠিলে কি হ'ব জানানে ঢলনি? বৈ দিয়া, বৈ দিয়া, নহ'লে অত্যন্ত বেয়া হ'ব কৈছোঁ। মোৰ শস্য বৰ্বাদ নকৰিবা, বোৱা!" এই বুলি কৈ কৈ লাঠী দাঙি ঢলনিৰ সোঁতক ডবিয়ালে।

আৰু—ক'ৰপৰা কি যে হ'ল কোৱা নাযায়—ঢলনি পানীৰ সোঁতে নিমিষতে বৈ দিলে। কথা কেৱল সিমানেই নহয়,

অলপমান আগতে নন্দুৰ খেতি-পথাৰত যিখিনি পানী সোমাইছিল, সেইখিনিও চাওঁতে চাওঁতে নোহোৱা হৈ গ'ল। নন্দুৰ খেতি-পথাৰত এটুপি পানীও নাথাকিল, তাৰ পথাৰৰ শস্যৰ একো হানি নহ'ল। তাৰ খেতি-পথাৰৰ সোণোৱালী শস্য বতাহত হালিজালি থাকিল।

এইবাৰ নন্দুৱে ক'লে, "হয়, হয়, মোৰ কথা এইদৰে শুনি থাকিবা।"

এই নাশ্রুত-নাভূত কথা গাঁৱত বায়ু বেগে বিয়পি পৰিল। চাওঁতে চাওঁতে অন্যান্য গাঁৱতো নন্দুৰ অলৌকিক কথা বিয়পিলে। ইমান প্ৰচণ্ড বান-পানীৰ মাজতো নন্দুৰ শুকান-সুন্দৰ খেতি-পথাৰ চাবৰ বাবে দলে দলে মানুহ ঢপলিয়াই আহি থাকিল।

ৰাইজে কোৱাকুই কৰি থাকিল যে— নন্দুৰ গাত নিশ্চয় কিবা এটা শক্তি আছে, অদ্ভুত আচৰিত শক্তিৰ অধিকাৰী নন্দু; কিন্তু তাৰ এই শক্তিৰ কথা সি কাকো নকয়।

এই ঘটনাৰ কিছু দিনৰ অন্তত আৰু এটা বিচিত্ৰ ঘটনা ঘটিল। নন্দুৰ ল'ৰাটোৱে খেলি থাকোঁতে হঠাৎ কুঁৱাৰ ভিতৰলৈ পৰি গ'ল। শুনি নন্দু একেলেৰে সেই কুঁৱাৰ পাৰলৈ আহিল আৰু খঙতে গুজৰি উঠি ক'লে, "হেৰ কুঁৱা! মোৰ ল'ৰাটোকে খাবিনে তই? নহ'ব — নহ'ব ... এই কাম হ'বলৈ নিদিওঁ। নিমিষতে শুকাই যা—নহ'লে—নহ'লে তোকেই মই খাম ...।"

এক মুহূৰ্ততে কুঁৱাৰ পানী শুকাই গ'ল, আৰু নন্দুৰ ল'ৰাটোৱে কুঁৱাৰ ভিতৰত থিয় হৈ থকা দেখা গ'ল। নন্দুৱে ল'ৰাটোক কুঁৱাৰপৰা উঠাই আনিলে।

এই অভাৱিত ঘটনা চাই তাত গোট খোৱা মানুহখিনিৰ তধা লাগিল।

আৰু এইটি ঘটনাৰ অন্তত এই কথাত কাৰো সন্দেহ নাথাকিল যে নন্দু হ'ল

যদি তোমালোকে তোমালোকৰ দহো ৰাইজৰ কামত লগাবা বুলি খাটাং কৰিছা, কৰা বাৰু, কৰি থাকা!"

বছ। কেইদিনমানৰ পাছত নন্দুৰ জুপুৰি-ঘৰটোৱে এটা মন্দিৰ ৰূপ পোৱা হ'ল। মন্দিৰৰ সুন্দৰ ৰূপ চাই নন্দুৱে নিৰ্মল হাঁহনে হাঁহি থাকিল।

এনেতে—এদিন আকাশত প্ৰায় বিনা মেঘে বিজুলী চমকিল। অকস্মাৎ আকাশৰ-পৰা দৈৱবাণী শুনা গ'ল: প্ৰকৃত মহাত্মাৰ মাজত খং-ৰাগ থাকিব নাপায়। যদিও মহাত্মাই তথা ন্যায়ৱন্ত মানুহে খং কৰি হ'লেও যি ক'ব সেয়ে হ'ব। এটা কথা মনত ৰাখিবা, প্ৰকৃতপক্ষে ন্যায়ৱন্ততা আৰু পৱিত্ৰতায়েই হ'ল ভগৱান!"

এই দৈৱবাণী শুনি ভক্তসৱে চিঞৰি উঠিল, "তেনেহ'লে — নন্দুৱেই দেখোন এই মন্দিৰৰ ভগৱান!"

নন্দুৱে তৎক্ষণাৎ হাত দাঙি কৈ উঠিল, "নহয়—কেতিয়াও নহয়। পৱিত্ৰতাহে ভগৱান। যদি ৰাইজে পাৰে, মন্দিৰত পৱিত্ৰতাকে বহুৱাওক।"

গাঁৱৰ জমিদাৰ ডাঙৰীয়াই নন্দুক বুকুৰ মাজত আঁকোৱালি ল'লে। তেওঁ নন্দুক বসবাস কৰিবলৈ আছুতীয়া ঘৰ এটা দিলে আৰু এই মন্দিৰত পৱিত্ৰতাৰূপী এজন অলৌকিক শক্তিসম্পন্ন মানুহ।

এতিয়া দূৰ-দূৰণিৰপৰাও দলে-বলে মানুহ-মুনিহ নন্দুক দৰ্শন কৰিবলৈ অহা হ'ল। সৰহভাগে নন্দুক কোনোবা অৱতাৰ বুলি ভাবি এক প্ৰকাৰে ফল-ফুলেৰে পূজা কৰিবলৈ ধৰিলে! কোনো কোনোবাই ন্যায়ৱন্ত নন্দুকে ভগৱন্ত বুলি প্ৰচাৰ কৰিলে। নন্দু পৰিল মহা বিপদত।

কিছু দিনৰ ভিতৰত এক আচৰিত ঘটনা ঘটিল। নন্দুৰ জুপুৰি ঘৰটোকে ৰাইজে এক ওখ পকী মন্দিৰ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰাতে চাই নন্দুৱে খঙতে ক'লে, "ঠিক আছে, মোৰ এই জুপুৰিটোকে

ভগৱানক প্ৰতিষ্ঠিত কৰিব বুলি নন্দুক আশ্বস্ত কৰিলে।

কিন্তু—পৰিত্ৰতাৰ ৰূপ—তথা আৰ্হিনো কি হ'ব?

এই কথাত কেইদিনমান ধৰি ভবাগুণা কৰাৰ অন্তত জমিদাৰ ডাঙৰীয়াই ঘোষণা কৰিলে যে পৰিত্ৰতাৰ সঠিক ৰূপ দেখুৱাই দিব পৰাজনক জোখেজোখাৰে পুৰস্কৃত কৰা হ'ব।

দিন উকলি গৈ থাকিল, কিন্তু কোনো কাম নহ'ল। পৰিত্ৰতাৰ ৰূপ প্ৰদৰ্শন কৰিব পৰা কোনো এজনো আগ বাঢ়ি নাহিল। এইবোৰ ঘটনাৰ মাজতে নন্দু অসুস্থ হৈ পৰিল আৰু ভাল ভাল বৈদ্যই চিকিৎসা কৰা সত্ত্বেও নন্দুৰ অন্তিম কাল চাপি আহিল। জমিদাৰ ডাঙৰীয়াই নন্দুক সুধিলে, "নন্দু, তোমাৰ অন্তিম ইচ্ছা কি ক'বানে?"

"ৰাইজে মোৰ মাজত সামান্য আচৰিত শক্তি থকা দেখি মোক যে ভগৱান বুলি ভাবিছে—সেয়া সমূলি মিছা। দৈৱবাণীয়ে স্পষ্টকৈয়েই কৈছিল যে—পৰিত্ৰতায়েই হ'ল ভগৱান। এই মন্দিৰত পৰিত্ৰতাৰূপী ভগৱানৰ মূৰ্তি প্ৰতিষ্ঠিত হওক—এয়ে মোৰ অন্তিম ইচ্ছা।" নন্দুৱে বহু কষ্টেৰে ক'লে।

এতিয়া নন্দু আৰু নাই, নন্দুৰ স্মৃতিহে আছে মাথোন। তেতিয়াহে গাঁৱৰ বিদ্বান-পণ্ডিতসকলে পৰিত্ৰতাৰ ৰূপ বিচাৰি পোৱা হ'ল। তেওঁলোকে একবাক্যে ক'লে যে—স্বয়ং নন্দুৱেই পৰিত্ৰতাৰ তথা ভগৱানৰ মূৰ্ত প্ৰতীক।

পণ্ডিত লোকসকলৰ পৰামৰ্শক্ৰমে নন্দুৰ মূৰ্তি সাজি সেই মন্দিৰত প্ৰতিষ্ঠা কৰা হ'ল। ভগৱানৰূপী ন্যায়ৱন্ত নন্দুৰ মূৰ্তিৰ আগত থিয় হৈ ভক্তসৰে কৈছিল, "ভগৱান কেৱল প্ৰকৃত ভাল মানুহৰ মাজতহে থাকে। ন্যায়ৱন্ত আৰু পৰিত্ৰ মানুহেই হ'ল আমাৰ ভগৱন্ত।"



চুঙা চাই সোপা

অনন্ত আছিল ৰজাৰ মুন্সী। মুন্সী মানে হিচাপ ৰক্ষক। এবাৰ ৰজাৰ ধন-ভঁড়ালত চুৰি হ'ল, আৰু অনন্তই নিজ-বুদ্ধিৰে চোৰক হাতে-লোতে ধৰা পেলালে। ৰজাই এই কথাত ভাল পাই অনন্তক সোণৰ আঙঠি এটা পুৰস্কাৰ হিচাপে দিলে।

কিছু দিনৰ পাছত নৰেন্দ্ৰ নামৰ আন এক উচ্চপদস্থ ৰাজকৰ্মচাৰীয়ে এটা সৰুসুৰা গৰ-মিল ধৰা পেলোৱাত ৰজাই নৰেন্দ্ৰক এহেজাৰ মোহৰ আৰু লগতে সোণৰ কিৰাকিৰিও দিলে।

এই কথাত দুখ পাই অনন্তই ৰজাক ক'লেহি, "মহাৰাজ! ডাঙৰ চুৰি ধৰা পেলোৱাত সৰু পুৰস্কাৰ, আৰু সৰু গৰ-মিল ধৰি পেলোৱাত ইমান ডাঙৰ পুৰস্কাৰ দিয়াত মই নিজৰ কথা ভাবি কিছু দুখ অনুভৱ কৰিছোঁ। মই যে নৰেন্দ্ৰতকৈ ডাঙৰ পুৰস্কাৰৰ অধিকাৰী, এই কথাটো কোৱাৰ বাবে মোৰ অপৰাধ ক্ষমা কৰিব, মহাৰাজ!"

মিচিকীয়াই হাঁহি ৰজাই ক'লে, "অনন্ত, মই তোমাক আঙঠি পুৰস্কাৰ দিয়াত তুমি যিমান ভাল পাইছিলা, তোমাতকৈ পদমৰ্য্যাদাত ডাঙৰ নৰেন্দ্ৰকো সেই পৰিমাণে ভাল পোৱাবলৈ হ'লে মইনো আৰু কি কৰিব পাৰিলোহেঁতেন? পুৰস্কাৰ—ব্যক্তিৰ মৰ্য্যাদাৰ অনুৰূপ হ'ব লাগিব—আশা কৰোঁ এই কথাত তুমিও একমত হ'বা।"

ৰজাৰ কথাৰ সাৰমৰ্ম অনন্তই উপলব্ধি কৰিলে আৰু ক্ষমা প্ৰাৰ্থনা কৰিলে।

—প্ৰেমলতা



দস্যু যুৱৰাজ

১৭

[আগৰ কথা ঃ ৰজা শংকৰবৰ্মাৰ পুত্ৰী ৰাজকুঁৱৰী সুকন্যাক লগত লৈ বীৰাঙ্গপা বীৰসিংহই ৰংমনে শান্তিপুৰলৈ বুলি সসৈন্যে আগ বঢ়ি গৈ আছিল। এনেতে অকস্মাৎ ৰাজকুঁৱৰী সুকন্যা অচেতন হৈ পৰিল। এইডোখৰ ঠাই আছিল অৰণ্য সমাকীৰ্ণ। ৰাজকুঁৱৰী সুকন্যা অচেতন হোৱাৰ কথা শুনিয়েই বীৰসিংহই ঘোঁৰাৰপৰা জঁাপ মাৰি নামিলে আৰু তাতেই সুকন্যাৰ বাবে তম্বু তৰিবলৈ আদেশ দিলে। সন্ধিয়া অসুস্থ সুকন্যাক চাবৰ মনেৰে বীৰসিংহ তম্বুৰ ভিতৰলৈ গ'ল ; কিন্তু তাত ৰাজকুঁৱৰী নাছিল, ৰাজকুঁৱৰীৰ ঠাইত শুই আছিল এটা বান্দৰ। বান্দৰটোৱে বীৰসিংহক আচুৰি-কামুৰি মাৰি পলাল। তাৰ পাছত···]

বীৰসিংহৰ মৰ-চিঞৰ শুনি সৰ্পদন্তও উচপ খাই উঠিল। যাদু-টোনা মন্ত্ৰ-তন্ত্ৰত সৰ্পদন্তৰ বিশ্বাস নাছিল। কিন্তু বীৰসিংহক নিচুকাবলৈহে তেনেকৈ কৈ কৈ চুক-চুকাইছিল। ৰাজকুঁৱৰীৰ এনেকৈ নোহোৱা হোৱাৰ আঁৰত যে কিছুমান মানুহৰহে হাত আছিল, সেই কথাত সৰ্পদন্তৰ সন্দেহ নাছিল ; কিন্তু সাতবিহুৰ সৈয়া কপী বীৰসিংহক সঁচি কৰি সঁচা ক'লে সৰ্পদন্তৰ নিজৰ শিৰতে যে হৈব সৰ্পাঘাত সেই কথাতো তাৰ সন্দেহ নাছিল। সৰ্পদন্তই ক'লে, "মহাৰাজ! আমাৰ পক্ষেও কিজানি কোনোবা তান্ত্ৰিকৰ সহায়তাহে ল'ব লাগিব। নহ'লে—আমাৰ পক্ষে এনেবোৰ প্ৰচণ্ড কাণ্ডক লণ্ড-ভণ্ড কৰা টান হ'ব যেন পাওঁ।"

বীৰসিংহই কিবা ক'বলৈ মুখ মেলোঁতেই তাৰ মূৰৰ ওপৰত ভাটৌ এটাই পাক খাবলৈ ধৰিলে আৰু বীৰসিংহৰ মূৰত চিঠি এখন পেলাই দি গুচি গ'ল। মূৰৰপৰা চিঠিখন লাহেকৈ বুটলি আনি জোঁৰৰ পোহৰত বীৰসিংহই পঢ়িলে :

'বীৰসিংহ! তোমাৰ নীচ লিপ্সাৰ প্ৰতিবাদত ৰাজকুঁৱৰী বান্দৰ হৈ গ'ল। তোমাৰ এতিয়াও লাজ লগা নাইনে? যদি এতিয়ালৈকো ধানমান বিবেকো তোমাৰ মাজত অৱশিষ্ট আছে—পোনে প্যনেই শান্তিপুৰলৈ খোজ লোৱা। নহ'লে সসৰ্প সসৈন্য মৰিবা। সাৱধান! —যুৱৰাজ সন্দীপৰ ঘোষণা!'

"যুৱৰাজ সন্দীপ! যুৱৰাজ সন্দীপ! কোননো এইটো?" বীৰসিংহই বীৰদৰ্পে সৰ্পদন্তক সুধিলে।

যুৱৰাজ সন্দীপৰ চিনাকি আগে পায়ো সৰ্পদন্তই বীৰসিংহক দিয়া নাছিল; কিয়নো—তেতিয়া যাদু-টোনাৰ বিভ্ৰা বীৰসিংহৰ মনত শিপোৱাব পৰাটো টান হোৱাৰ আশংকা আছিল।

"বোধ কৰোঁ — কোনোবা এটা ডকাইত দলৰ চৰ্দাৰ হ'ব, মহাৰাজ।" ভিজা মেকুৰী এটাৰ দৰে সৰ্পদন্তই লাহেকৈ ক'লে।

"পাব নালাগে. পাইছা. পায়েই আছা। এতিয়া কোৱা. সৌ পলাই যোৱা বান্দৰৰূপী ৰাজকুঁৱৰীক পুনৰ সুকন্যাৰ ৰূপত ঘূৰাই আনিব পৰা তোমাৰ কোনোবা চিনা-জনা যাদুকৰ বা তান্ত্ৰিক আছেনে? বেটাইঁতক ধন যিমান লাগে দিয়া যাব; কিন্তু কামটো কৰি দিব লাগিব।" বিভ্ৰান্ত বীৰসিংহই ক'লে।

"মহাৰাজ! আপোনাৰো কথা যে! লাখ-বিলাখ বান্দৰৰ মাজত কোনটো যে সেইটো আমি কেনেকৈ চিনি পাম?" সৰ্পদন্তই ক'লে. "জগতৰ আটাইবোৰ বান্দৰক ধৰি আনিলেও চিনি নাপাম।"

"হেঁ! ডকাইত চৰ্দাৰেওনো নিজক যুৱৰাজ বোলাই ফুৰিছেনে? কি দিন পৰিল কোৱাচোন! শুনা—আমি এতিয়াই জয়পুৰী আক্ৰমণ কৰিম আৰু চাম—এটা ডকাইতৰ চৰ্দাৰে কিডাল কৰিব পাৰে।" বীৰসিংই বীৰদৰ্পে সুধিলে, "আমাৰ সৈন্যবাহিনীক সাজু কৰিব পাৰিবানে এতিয়াই?"

"ফু তে সাজু কৰি দিম। আৰু—জয়পুৰীৰ আছেইবা কি? জয়পুৰীক ভিলিকতে ক্ষয়পুৰী বনাই দিম।"

"মূৰ্খ!" বীৰসিংহই কৰ্কশ কণ্ঠেৰে ক'লে, "যদি আধা নাককটা জয়পুৰীক সহায় কৰিবলৈ অমৃতপুৰীয়া সৈন্য ঢপলিয়াই আহে? তেতিয়া তুমি মৰ-কুচীয়াই বেঙেমূতা গৰুটো নহ'বানে?"

সৰ্পদন্তই বীৰসিংহৰ থেকেচা হজম কৰিবলৈ কিছু সময় ল'লে। তাৰ পাছত লাহেকৈ ক'লে, "মহাৰাজ, কথা হওঁতে হয়। আমাৰ চোৰাংচোৱাহঁতেও তেনেকৈ খবৰ আনিছে যে — অমৃতপুৰী মুঠমাঠ আমাৰ পক্ষেও যমপুৰীহে হ'বগৈ।"

"গতিকে হে শ্বদন্ত—"

"মহাৰাজ শ্ব মানে দেখোন কুকুৰ—" সৰ্পদন্তই বীৰসিংহক সোঁৱৰাই দিলে।

"হ'ব। —সৰ্প সৰ্প—সৰ্পদন্ত, আমাৰ প্ৰধান কাম হ'ল যেনেতেনে পালে ধন, কৰিম অস্ত্ৰ কিনাৰ কীৰ্তন। হয়নে নহয়?"

"হায়! মহাৰাজ! আমাৰ ভাগ্যতো গুপ্তধন থকাহেঁতেন তো কোনো কথাই নাছিল!" সৰ্পদন্তই সখেদে ক'লে।

"গুপ্তধন! গুপ্তধন!" বীৰসিংহ গভীৰ-ভাবে ভাবি থাকিল কথাটো। হঠাৎ তাৰ মনত কথা এটাই মূৰ দাঙিলে। শান্তিপুৰৰ ইমান পুৰণিকলীয়া ৰাজ-প্ৰাসাদৰ কোনোবা চুকত কিবা ধৰণৰ গুপ্তধন থকাটো—একেবাৰে অসম্ভৱনে? নতুন ৰাজপ্ৰাসাদতো গুপ্তধন নথকাৰ হেতু নাই। কথাটো লাখ কথাৰ এক



প্ৰাসাদৰ কক্ষবোৰ তন্ন তন্নকৈ বিচাৰি চালে ; কিন্তু ক'তো-কেনিও একো-এটাও নাপালে। ইও সম্ভৱনে ?"

অৱশেষত—ভাবি ভাবি নতুন উপায় এটা উলিয়ালে। ৰাজপ্ৰাসাদত মহাৰাজ শান্তিদেৱৰ পিতৃদেৱৰ আমোলৰপৰা কাম কৰা দুজন অশীতিপৰ বৃদ্ধ ভৃত্যক মতাই অনাই বীৰসিংহই সুধিলে. "আমি এতিয়ালৈকে৷ নেদেখা নতুন বা পুৰণি-দিনীয়া ৰাজপ্ৰাসাদৰ আৰু দুই-চাৰি গুপ্ত কক্ষ যদি দেখুৱাব পাৰা, তোমালোকক জোখে-জোখাৰে পুৰস্কাৰ দিম। কিন্তু— জানিও যদি নজনাৰ ভাও জুৰিছা, পিঠিৰ ছাল বখলিয়াই জোতা বনাম।"

তেতিয়া এজন বৃদ্ধ ভৃত্যই বীৰসিংহক প্ৰকাণ্ড এক নিজম-নিমজ এন্ধাৰ কক্ষলৈ লৈ গ'ল। সেই নিমজ অন্ধকাৰত বীৰসিংহ আৰু সৰ্পদন্তই দেখা পালে এক অতি পুৰণিকলীয়া প্ৰকাণ্ড তলা।

সেই নিকপকপীয়া এন্ধাৰৰ পোহৰত সৰ্পসম বীৰসিংহই চিপাদাৰ সৰ্পদন্তলৈ নীৰৱে ঘূৰি চালে আৰু হাঁহিলে।

বহু কষ্টেৰে বীৰসিংহ আৰু সৰ্পদন্তই এই প্ৰকাণ্ড তলাটো ভাঙি পেলালে। হাতত জোঁৰ লৈ দুয়ো সেই বিৰাট কক্ষটোৰ ভিতৰলৈ সোমাল। কক্ষটোৰ

কথা বুলি তাৰ ধাৰণা হ'ল।

বীৰসিংহই সৰ্পদন্তলৈ চাই কৈ উঠিল, "ব'লা, ব'লা—আমি—এতিয়াই ৰাজ-প্ৰাসাদ পাবগৈ লাগিব।"

এই বুলি কৈয়েই আৰু তিলেকমানো নবৈ জঁপ মাৰি ঘোঁৰাৰ পিঠিত উঠি লৈ কাঁড়ৰ গতিৰে বীৰসিংহই ঘোঁৰা চলাই দিলে।

আৰু পিছে পিছে সমান গতিৰে গৈ থাকিল সৰ্পদন্ত আৰু তাৰ সৈন্য-সামন্ত।

ৰাতিৰ পৰতে বীৰসিংহৰ চকুযুৰি জাপেই নোখোৱা হ'ল। সৰ্পদন্তক লগত লৈ বীৰসিংহই ন-পুৰণি দুয়োখন ৰাজ-

একাষত ডাঙৰ ডাঙৰ কেবাটাও চন্দুক আৰু সৰু সৰু লোৰ বাকচো কেটামান আছিল। বীৰসিংহই মামৰে ধৰা এটা সৰু বাকচ গোৰ মাৰি মাৰি ভাঙি পেলালে। এই বাকচটোত নানান তৰহৰ অ৷ অলংকাৰ ঠাহ খোৱা আছিল; সিবোৰ জোঁৰৰ পোহৰত জলমলাই উঠিল।

বীৰসিংহই অবাক হৈ পৰা সৰ্পদন্তক কৈ উঠিল, "খৰদন্ত, আমাৰ সমস্যাৰ সমাধান হৈ গ'ল। আৰু পৰোৱা নাই।"

তাৰ পাছত একে একে বিৰাট বিৰাট চন্দুকো হাতুৰীৰে ভাঙি চোৱা হ'ল। গুপ্তধনৰ পৰিমাণ সৰ্পদন্তৰ সপোনকো চেৰাই গ'ল। দুয়ো স্তম্ভিত বিস্ময়ৰে সেই অ-ভাৱিত অ-শ্ৰুত সীমাহীন সম্পদলৈ নিৰ্বাক-নিস্পন্দ প্ৰস্তৰমূৰ্তিৰ দৰে চাই ৰ'ল।

"বাৰু, আমি এতিয়া গুপ্তধন পালোঁৱেই যেনিবা; তাৰে অস্ত্ৰ কিনিমনো কেনেকৈ? ইমান বৈভৱ বেচিমনো ক'ত?" চিন্তিত বীৰসিংহই সৰ্পদন্তক সুধিলে।

"মহাৰাজ, এয়া কোনো সমস্যা নহয়। চন্দ্ৰ পুৰীৰ অস্ত্ৰ নিৰ্মাত হুঁতক মতাই অনাই এই গুপ্তধনৰ মূল্য নিৰ্দ্ধাৰণ কৰা হ'ব আৰু অস্ত্ৰ-শস্ত্ৰৰ সৈতে সেই মূল্যৰ বিনিময় হ'ব।" সৰ্পদন্তই ক'লে।

"এইবাৰ!" —হাতৰ জোঁৰডাল কক্ষৰ ওপৰৰ ফালে দাঙি ধৰি বীভৎস বীৰসিংহই হাঁহি হাঁহি কৈ থাকিল, "জয়পুৰীক ফুতে উৰাম, অমৃতপুৰীকো ফু-তে ডুবাম।"

তাৰ পাছত এই কক্ষত আন এটা ডাঙৰ তলা মাৰি দুয়ো কক্ষটোৰপৰা ওলাই আহিল!

পাছদিনাই চন্দ্ৰপুৰীলৈ বিশ্বস্ত দূত প্ৰেৰণ কৰা হ'ল। দূত যথা সময়ত উভতি আহিল আৰু দূতে এই সম্বাদ দিলে যে চন্দ্ৰপুৰীৰ অস্ত্ৰ-বিশাৰদ-বিশেষজ্ঞ সকল তিনিদিনৰ ভিতৰতে শান্তিপুৰলৈ আহি পাবহি।

এই কথা শুনি কিছুদিনৰপৰা দমি যোৱা বীৰসিংহই যেনিবা এক নতুন জীৱন ঘূৰাই পালে।

তিনি দিনৰ দিনা শান্তিপুৰৰ গুপ্তচৰ প্ৰধানে বীৰসিংহক ক'লেহি, "মহাৰাজ, চন্দ্ৰপুৰীৰপৰা পঁচিছগৰাকী অস্ত্ৰ-বিশাৰদ আহিব ধৰিছে।"

"পঁ—চিছ!" বীৰসিংহই কৈ উঠিল, পঁচিছজন বিশাৰদ! তাৰ মানে হ'ল এয়ে যে—চন্দ্ৰপুৰীয়ে আমাক যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। ত্বদস্ত! এই বিশাৰদইঁতক বিশেষভাবে ৰাখিবা, ভাল ভাল খানা-পিনাৰো আয়োজন কৰিবা, চাবা—যাতে এওঁলোকৰ কোনো অসুবিধা নহয়। এওঁলোকক ৰাজপ্ৰাসাদতে ৰাখিবা। নহ'লে এওঁলোকে বেয়া পাব পাৰে।"

শুনি সৰ্পদন্ত তৎক্ষণাৎ ওলাই গ'ল।

চন্দ্ৰপুৰীয়া অস্ত্ৰ-বিশাৰদসকল যেতিয়া শান্তিপুৰ পালেহি, তেতিয়া সাঁজ মাত্ৰ লাগি ভাগিছে। স্বয়ং বীৰসিংহই এওঁলোকক অভ্যৰ্থনা কৰি আগ বঢ়াই লৈ আহিল। জা-জলপান খুউৱাৰ অন্তত বিশাৰদসকলক সেই গুপ্তধন থকা গুপ্ত-কক্ষলৈ লৈ যোৱা হ'ল।

এঠাইত যে ইমান বৈভৱ থাকিব পাৰে, এই বিশাৰদসকলৰো ধাৰণাৰ অতীত আছিল। এওঁলোকে কৈ উঠিল, "মহাৰাজ বীৰসিংহৰ জয় হওক! মহাৰাজ বীৰসিংহ অমিত ভাগ্যৱান!"

তাৰ পাছত বিশাৰদসকলে ৰাজকীয় আহাৰ গ্ৰহণ কৰিলে।

আহাৰ-পৰ্ব সমাধাৰ অন্তত বিশাৰদ-সকলৰ নেতাই ক'লে, "এতিয়া আমাৰ প্ৰথম কাম হ'ব—মহাৰাজৰ ইমান বৈভৱৰ ন্যায়সংগত মূল্য নিৰ্দ্ধাৰণ। তাৰ কাৰণে অ'-অলংকাৰ-মণি-মুকুতা-হীৰা-জহৰত আৰু সোণ-ৰূপৰ বাচন-বৰ্তনবোৰ কষটি শিলত পৰীক্ষা কৰি কৰি চাব লাগিব। এই কামত ৰাতি পুৱাই যাব বুলি আমাৰ অনুমান।



এটা কাম কৰিলে ভাল হ'ব। আমাক ভিতৰত থৈ, কক্ষৰ দুৱাৰত তলা মাৰি, আপোনালোক বাহিৰত ৰৈ থাকিব। বাহিৰত ৰৈ থাকিব যাতে আন কোনোবাই ভিতৰত কি হৈছে-নহৈছে ঘূণাক্ষৰেও জানিব নোৱাৰে যেন।"

"ঠিক আছে. আপোনালোকৰ কথা মতেই কাম হ'ব।" বীৰসিংহই বিশাৰদ-সকলৰ কথা মতে কক্ষৰ দুৱাৰ বন্ধ কৰি তলা লগাই পৰ দি বাহিৰৰ ঘোপমৰা অন্ধকাৰত প্ৰেতৰ দৰে ৰৈ থাকিল। অৱশ্যে লগতে সৰ্পদন্তও আছিল।

কক্ষৰ ভিতৰত বিভিন্ন ধৰণৰ শব্দ উঠি থাকিল। মাজ নিশালৈকে ধমাধম শব্দ উঠিল। কিন্তু তাৰ পাছত আৰু কোনো শব্দ নুঠা হ'ল।

ৰাতি পুৱাল। বীৰসিংহই কক্ষৰ তলা খুলিলে! কিন্তু কক্ষৰ ভিতৰত বিশাৰদসকলো নাই, গুপ্তধনো নাই!

"কি! ইহঁত সঁচাসঁচিকৈ চন্দ্ৰপুৰীৰ অস্ত্ৰ-বিশাৰদেই আছিলনে? ভোজবাজীৰ দৰে ইহঁত আৰু মোৰ ইমান ধন-সম্পদ ক'লৈ গ'ল!" বীৰসিংহই চিঞৰি চিঞৰি বলিয়াৰদৰে হৈ পৰিল। বলিয়া কুকুৰৰ দৰে বীৰসিংহই পুনৰ আটাহ পাৰি উঠিল, "কেনেকৈনো চাৰিও ফালৰপৰা বন্ধ কক্ষৰপৰা সকলো নোহোৱা হৈ গ'ল!"

তাত এখন চিঠি পৰি আছিল। সৰ্পদন্তই চিঠিখন বুটলি লৈ বীৰসিংহৰ হাতত দিলে। চিঠিখনত লিখা আছিল:

'বীৰসিংহ, হস্তী-পৰ্বতৰ নামনিত চন্দ্ৰপুৰীৰ অস্ত্ৰ-বিশেষজ্ঞইঁতক এজোপা গছৰ লগত ৰছীৰে বান্ধি থোৱা হৈছে।

—যুৱৰাজ সন্দীপ।'

বিজুলী গতিৰে সৰ্পদন্তই হস্তী-পৰ্বতলৈ গৈ চন্দ্ৰপুৰীৰ অস্ত্ৰ-বিশেষজ্ঞসকলক মুক্ত কৰিলে।

[অহা সংখ্যাত সমাপ্ত হ'ব]

যি গছৰ ছাল নাই

প্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্যই পুনৰ সেই শ ওলমি থকা গছৰ ডালৰপৰা শটো নমাই আনি, কান্ধৰ ওপৰত পেলাই লৈ একমনে মৰিশালিলৈ বুলি গৈ থাকোঁতে শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, ইমান বৈভৱ আৰু দুগ্ধফেননিভ শয্যাৰ আৰাম-বিৰাম এৰি তুমি যে কিয় এই যুগ যুগ জোৰা শ্ৰমত ব্ৰতী হৈছা, তুমিহে ক'ব পাৰিবা। কিন্তু জানি থোৱা কাৰোবাৰ উপকাৰ কৰিলেও কিন্তু উপকাৰ পোৱাজনে তোমাৰ শলাগ নল'বও পাৰে। জানাই, উপকাৰী গছৰ ছাল নাথাকে। মোৰ এই কথাৰ প্ৰমাণস্বৰূপে তোমাক মই নিৰুপমা নামৰ ছোৱালী এজনীৰ কাহিনী কওঁ শুনা।" এই কাহিনীয়ে তোমাৰ চকু মুকলি কৰিবও পাৰে। এই বুলি কৈ, বেতালে নিৰুপমাৰ কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'



কিন্তু তাৰ এনে নিজনি-আনন্দত বৰকৈ নেৰিয়া-নেৰি কৰিছিলহি—এজনী ছোৱালী—নিৰুপমাজনীয়ে।

মাথুৰ আছিল মংগতৰ ওচৰ-চুবুৰীয়া। নাম গোপাল মাথুৰ। ৰাইজে মাথুৰকহে জানে, গোপাল ক'ত থাকে নাজানে। মাথুৰ ধন-ধান থকা মানুহ। মাথুৰৰ পৰিবাৰে ছোৱালী এজনী ফুকাই লগে লগে ঢুকাইছিল। মাথুৰৰ সেইজনী ছোৱালীয়েই হ'ল নিৰুপমা।

নিৰুপমা ওপজাৰেপৰাই পেঙুৰী। তাইৰ দেউতাক মাথুৰে কেইবছৰমানৰ পাছত দ্বিতীয় বাৰলৈ বিয়া কৰালে। সতিয়ৈ মাকজনীয়ে—গিৰিয়েকৰ ঘৰত ভৰি দিয়েই নিৰুপমাৰ বুজবাজ ল'লে আৰু তাইৰ মূৰত ঘৰৰ আটাইবোৰ কামৰ দায়িত্ব — যেনে — বাচন-বৰ্তন মলা, কাপোৰ-কানি চাফা কৰা, ৰন্ধা-বঢ়া আদি যতমানে ঘৰুৱা কামৰ দায়িত্ব—তাইৰ মূৰৰ ওপৰত জাপি দিলে। ইমান সৰু-জনীয়ে ৰন্ধাৰ কাম কৰোঁতে এদিন নিজেই কেনেবাকৈ তপত তেলত পৰিল আৰু তাৰ ফলত গায়ে-মুখে ডাঙৰ ডাঙৰ পানীজোলা হৈ পাছত অতি কুৰূপাজনী হৈ উঠিল। একে পেঙেৰী, তাতে এই। গতিকে—সতিয়ৈ মাকৰ অত্যাচাৰ সহনৰ

বহু বহু কালৰ আগৰ কথা। গিৰিজাপুৰ নামৰ ঠাইত-মংগত নামৰ এটি ভেড়া-ৰখীয়া ল'ৰা আছিল। মংগতৰ বোপা-ককাৰ অমোলৰ স-সম্পত্তি যথেষ্ট আছিল। মংগত দেখাই-মেলায়ো আছিল আকৰ্ষণীয়। তাৰ কণ্ঠ আছিল সুমধুৰ আৰু গীত গাবলৈ পালে সি আন সকলো পাহৰি থাকিব পাৰিছিল। মংগতৰ নিচেই আপোন বোলোঁতে আছিল মাকজনী। ৰাতিৰ সাজ খোৱা-লোৱাৰ অন্তত বাৰীৰ এচুকত ঢাৰি এখন পাৰি লৈ শুই শুই আপোন পাহৰাটি হৈ গীত গাইছিল সি।

বিনে তাইৰ গতিও একো নাই।

উদয়াস্ত কঠোৰ পৰিশ্ৰমৰ অন্তত, ৰাতি শুবৰ পৰতে তাই বাৰীত এসময়ত ছাগলী থকা চালি ঘৰটোত তক্তা এখনৰ ওপৰত শুই ভাগৰ পলুৱায়, উচুপি উচুপি মনৰ দুখ পাতলায়।

নিৰুপমাজনীৰ এই উচুপনি এখন অলপ ওখ বেৰৰ সিফালে শুই শুই গীত গোৱা মংগতৰ কাণত নপৰাকৈ নাথাকে, তাৰ ফলত তাৰ গীত গোৱাত ব্যাঘাত হয় মংগতৰ কণ্ঠ-নিজৰা বৈ যায়, তাৰ মনত বিৰক্তিৰ বলিয়া বান বৈ যায়।

মংগত আৰু নিৰুপমাৰ দিনবোৰ-ৰাতিবোৰ এইদৰেই পাৰ হৈ যায়, এজনৰ মনত বিৰক্তি আৰু সিজনীৰ মনত দুখৰ মাজেদি।

এদিন মংগতে ভেড়া চৰাওঁতে গৈ গৈ বহু দূৰ পালেগৈ। তাত এজোপা গছৰ তলত বহি মংগতে উচ্চকণ্ঠেৰে গীত গাবলৈ ধৰিলে আৰু এসময়ত ভাৱৰ আবেগত তাৰ চকুযুৰি সি নিজেই ক'ব নোৱৰাকৈ মুদ খাই পৰিল; কিন্তু গীত-মাত তাৰ চলিয়েই থাকিল।

মংগতে যেতিয়া গীত-মাত বন্ধ কৰি চকু মেলি চালে, তেতিয়া সি এগৰাকী মুনিক তাত থিয় হৈ থকা দেখা পালে।

অতি আচৰিত আৰু নিৰ্বাক হৈ পৰা মংগতে বহাৰঁপৰা থিয় হৈ মুনিক কৰযোৰে প্ৰণাম কৰিলে।

মুনিয়ে মৃদুকৈ হাঁহি মাৰি ক'লে, "বোপা! তোমাৰ গীত শুনি মই তুষ্ট হৈছোঁ, যদি মোৰ পক্ষে সম্ভৱ হয়, তোমাৰ যেই কোনো ইচ্ছাও মই নিশ্চয় পূৰ্ণ কৰিম।"

মংগতে হাত যোৰ কৰি ক'লে, "হে মুনিবৰ, দিনৰ দিনটো কঠোৰ পৰিশ্ৰম কৰাৰ অন্তত সামান্য এই গীত গাওঁ— তাৰ বাহিৰে মোৰ আৰু কোনো ইচ্ছা নাই। কিন্তু এই গীত গোৱাও মোৰ



পক্ষে সহ্যহতে টান হৈ উঠিছে।

মুনিয়ে আচৰিত হৈ সুধিলে, "কিয়?" গীত গোৱাতনো অসুবিধা কি?

তেতিয়া মংগতে মুনিক নিৰুপমাৰ কাহিনী আদ্যোপান্ত বিবৰি ক'লে। মংগতে ক'লে, "প্ৰতিদিন তাইৰ এনে উচুপনি—ইননি-বিননি মোৰ পক্ষে সহ্য কৰা টান হৈ উঠিছে।"

মুনিয়ে কেইমুহূৰ্তমান ভবা-গুণা কৰাৰ অন্তত ক'লে, "মংগত, নিৰুপমাজনী যদি মোৰ ওচৰত কিছুদিন থাকিবহি পাৰে, হয়তো তাইৰ এই অৱস্থাৰ কিবা এটা বিহিত হৈ যাব। —তুমি তাইক মোৰ ওচৰলৈ লৈ আহিবানে?"

"কিয়, মুনিবৰ?"

"সেই কথা তোমাক পাছত বুজাই ক'ম। তুমি তাইৰ মাক-দেউতাকক কথাটো কোৱাগৈ। তেওঁলোকে তাইক আহিবলৈ দিয়ে যদি—লৈ আহিবা। সৌ যে দেখিছা—সৌটো মোৰ কুটীৰ।"

ৰাতিৰ পৰতে মংগত মাথুৰৰ তালৈ গ'ল আৰু মুনিৰ লগত হোৱা কথাখিনি মাথুৰক ক'লে।

মাথুৰৰ পৰিবাৰে (নিৰুপমাৰ সতিয়ৈ মাক) কথাটো গিৰিয়েকৰ মুখে শুনি নিৰুপমাক সংসাৰৰপৰা একেবাৰে খেদিবৰ উপায় এটা পোৱা যেন পাই সাতখন-আঠখন হ'ল।

পাছদিনাই নিৰুপমাক লগত লৈ মংগত মুনিৰ ওচৰলৈ গ'ল। মুনিয়ে নিৰুপমাজনীক ক'লে, "আই, কোনো চিন্তা নকৰিবা। মই তোমাক নিজৰ ছোৱালীৰ দৰে চোৱা-চিতা কৰিম। তুমি কিছুদিন ইয়াত থাকা।"

মুনিৰ মৰমত পমি নিৰুপমাজনীয়ে কান্দি পেলালে। এপযমানৰ পছত আহিবলৈ কৈ মুনিয়ে মংগতক ওভোতাই পঠালে।

মাকৰ অসুস্থতা আৰু অন্যান্য কাৰণত এমাহৰ অন্তত মংগত মুনিৰ কুটীৰলৈ

গ'ল। এইবাৰ তাত আৰু কেইটামান জুপুৰিঘৰ আৰু ছুলা-খৰাহি আদি বনাই থকা বাৰ-চৈধ্যজনমান পংগু মানুহ মুনিহ তাত দেখা পালে।

মংগতে মুনিক দেখা নাপাই তাত বহি থকা যুৱক এজনক সোধাত যুৱকে ইংগিতেৰে ক'লে যে সি কলা আৰু বোবা। এই কলা-বোবা যুৱকে মংগতক ইচাৰাৰে-ক'লে তাৰ কাণৰ ওচৰলৈ আহি ক'ব লগাখিনি জোৰেৰে ক'বলৈ। এনেতে মুনি কুটীৰৰ ভিতৰৰপৰা ওলাই আহিল।

মংগতে মুনিক সুধিলে, "মুনিবৰ! এইবোৰনো মই কি দেখি আছোঁ? আপোনাৰ তপ-তপস্যা—বাদেই দিলেনে? নিৰুপমাজনী ঠিকেঠাকে আছেনে?"

মুনিয়ে নীৰৱে হাঁহি মাৰি ক'লে, "এইবোৰ যে কি—কোৱাৰ আগতে মই তোমাক মোৰ নিজৰ কথা সামান্য ক'ব লাগিব।" এই বুলি কৈ, মুনিয়ে মংগতক লগত লৈ শিল এচটাত বহিলগৈ।

তাৰ পাছত মুনিয়ে কৈ থাকিল:

'মোৰ নাম জীৱানন্দ। সৰুতে ময়ো সতিয়ৈ মাতৃৰ হাতত কম লটি-সাঞ্জনাৰ চিকাৰ হোৱা নাছিলোঁ। এবাৰ মোৰ সতিয়ৈ মাতৃয়ে লো-ৰ হেতা এখন জুইত পুৰি মোৰ দেহৰ বহু ঠাইত হেঁচি ধৰিছিল। সেই তপত হেতাৰ দাগবোৰৰ কিছু কিছু আজিও আছে। তেতিয়া





মই মাত্ৰ আঠ বছৰীয়া। সেই অপৰিসীম জ্বালা-যন্ত্ৰণা সহিব নোৱাৰি মই এই অৰণ্যলৈ সোমাইছিলোঁহি। তেতিয়া—এই কুটীৰতে পৰমানন্দ নামৰ এগৰাকী-যোগী-সন্ন্যাসী আছিল। মোৰ দেহৰ তেনেহেন অৱস্থা চাই তেওঁ মোক কাষত বহুৱাই মোৰ দুখৰ কথা সুধিলে, শুনিলে। তাৰ পাছত তেওঁ এই অৰণ্যৰপৰা নানা বিধৰ পাত বুটলি আনি, ৰস উলিয়াই, মোৰ দেহৰ ঘাবোৰত লগাই কাপোৰেৰে বান্ধি দিলে। এসপ্তাহতে মোৰ যথেষ্ট উপশম হ'ল।

'সেই দিনাৰপৰাই, মই ইয়াতে—এই অৰণ্যতে আছোঁ। মই পৰমানন্দজীৰ সেৱা কৰিছিলোঁ। তেওঁৰ ওচৰত শাস্ত্ৰ অধ্যয়ন কৰিছিলোঁ, প্ৰকৃতিৰ বিবিধ ৰহস্যৰ বিষয়ে জ্ঞান আৰ্জিছিলোঁ, অৰণ্যক ভাল পাইছিলোঁ, অৰণ্যৰ ডাল-পাত-লতা-শিপাৰে জীৱনদায়ী ঔষধ প্ৰস্তুত কৰিবলৈ শিক্ষা গ্ৰহণ কৰিছিলোঁ, অসুস্থ সকলক সুস্থ কৰি তোলাৰ জোখাৰে চিকিৎসাবিদ্যা আহৰণ কৰিছিলোঁ। মই যেতিয়া চিকিৎসক হ'লোঁ, গুৰুৱে মোৰ নাম ৰাখিলে—জীৱানন্দ।

'তেওঁ যি আৰু যিখিনি জানিছিল, মোক শিকাই দিছিল আৰু তাৰ পাছত—এদিন এই কুটীৰতে জীৱনযাপন কৰিবৰ অধিকাৰ দি তেওঁ ইয়াৰপৰা গুচি গৈছিল। এইদৰেই মই এই ডালৰ চৰাই হ'লোঁ।

'তাৰ বহুকালৰ পাছত এদিন—মোৰ তপ-জপ কৰাৰ মাজতে তোমাৰ সুমধুৰ গীতৰ ধ্বনি শুনিলোঁ, তোমাকো বিচাৰি পালোঁ, পালোঁ নিৰুপমাজনীক। তাইক চিকিৎসা কৰি সম্পূৰ্ণ সুস্থ কৰি তুলিলোঁ, এদিন নিৰুপমাই নৈৰপৰা গা ধুই আহোঁতে সেই বোবা-কলা যুৱকক অচেতন অৱস্থাত পাই ইয়ালৈ লৈ আহিল। এই যুৱকে বাঁহেৰে অপূৰ্ব শিল্প সৃষ্টি কৰিব পাৰে।

'তাৰ পাছত ইয়ালৈ আহিল সৌ

যে দেখিছা — খোৰা-পংগু-শাৰীৰিক অক্ষমইত। ইহঁতকো মই আশ্ৰয় দিছোঁ।

'নিৰুপমা — আগতেই কৈছোঁ— সম্পূৰ্ণ সুস্থ হ'ল। তাই এতিয়া—মন কৰিলে ঘৰলৈকো উভতি যাব পাৰে, আকৌ — ইয়াতো থাকিব পাৰে।' এইখিনিত মুনি ৰ'ল।

মুনিৰ কথা শুনি সামান্য সামান্য সন্দেহে মনত উক দিয়াত মংগতে মুনিক কিবাকিবি সোধাৰ কথা ভাবি থাকোঁতেই নিৰুপমা তাত ওলালহি। নিৰুপমাই নৈৰপৰা কলহত ভৰাই পানী লৈ আহিছিল। নিৰুপমাজনীক চাই মংগত চঁক খোৱা যেন হ'ল। তাইৰ দেহৰ সেই কুৎসিৎ দাগবোৰ তো নোহোৱা হ'লেই— তাইৰ খোৰা ভৰিও সম্পূৰ্ণ স্বাভাৱিক আৰু সুস্থ হৈ গ'ল। তাইৰ অপূৰ্ব-ৰূপলৈ চাই মংগতৰ বুকুত খলক উঠিল। চকু চাট মাৰি ধৰা এই দৃশ্য তাৰ কল্পনাৰো অতীত। নিৰপমাজনীয়ে যেনিবা পুনৰ্জন্মহে লভিলে।

মংগতক দেখা মাত্ৰেই নিৰুপমাই কলহটো নমাই থৈ হাতযোৰ কৰি নমস্কাৰ কৰিলে। এতিয়া মংগতে যে কি ক'ব নিৰুপমাক—ঠাৱৰ কৰিব নোৱাৰি মনে মনে থাকিল। অলপ পাছত মংগত মুনিৰ কুটীৰৰপৰা ওলাই গুচি গ'ল।

সেই নিশা, মংগতে সাৰে বা টোপনিতো

নিৰুপমাজনীকে দেখি থাকিল। পাছ দিনা, ৰাতি পুউৱাৰ লগে লগে মংগত পুনৰ মুনিৰ কুটীৰলৈ গ'ল আৰু মুনিক ক'লে, "হে মুনিবৰ! নিৰুপমাই এই অৰণ্যতে জীৱন কটাব নালাগে। আপুনি যদি সন্মত হয়, তেনেহ'লে মই নিৰুপমাক বিবাহ কৰাই নিজ গৃহলৈ লৈ যাম। মোক অশীৰ্বাদ কৰক, মুনিবৰ!"

মংগতৰ কথা শুনি মুনি জীৱানন্দই মংগতক ক'লে, "আশীৰ্বাদ দিয়াত একো অসুবিধা নাই; কিন্তু এই বিবাহৰ কথা নিৰুপমাকো সুধি ল'ব লাগিব।"

মুনি জীৱানন্দ কুটীৰৰ ভিতৰলৈ গ'ল আৰু অলপ সময়ৰ অন্তত ওলাই আহি মংগতক ক'লে, "মংগত, নিৰুপমাৰ বক্তব্য হ'ল যে—তাই তোমাৰ যোগ্য নহয়; তাইৰ বক্তব্য হ'ল—তাই সেই বোবা-কলা যুৱকহে হেনো বিয়া কৰাব।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, তাইক ইমান সহায় কৰোঁতা মংগতৰ প্ৰস্তাৰ দলিয়াই পেলাই ক'ৰবাৰ কোনোবা এক বোবা-কলা যুৱকক নিৰুপমাই কিয় বিয়া কৰাব? এয়া নিৰুপমাৰ কৃতঘ্নতা নহয়নে? —মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে "নিৰুপমাই এই কথাটো পৰিষ্কাৰভাৱে বুজি পাইছিল যে — মংগতে আচলতে কোনদিনেই তাইক ভাল পোৱা নাছিল। আকস্মিক যৌৱনৰ ৰূপমুগ্ধতা যে চিৰদিনলৈ নাথাকিব, তাকো তাই উপলব্ধি কৰি বোবা-কলা যুৱককে বিয়া কৰাইছিল। তাই কৃতঘ্ন নাছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



তেওঁসৱৰ স্বপ্নৰ ভাৰত

আদৰ্শ জ্যোতি

পৰাধীনতাৰ শৃংখল মোচনৰ বাবে আমাৰ অসংখ্য দেশভক্তৰ প্ৰাণ বলিদান হ'ল। ১৯১৪ চনত, ভাৰতৰ সমগ্ৰ যুৱশক্তি মিলি 'গদৰ পাৰ্টি' স্থাপনা কৰিছিল। এই গদৰ পাৰ্টিয়ে কেনাডা আৰু জাৰ্মানিত তেওঁলোকৰ কাৰ্য্যালয় পাতিছিল। প্ৰথম বিশ্বযুদ্ধৰ কালছোৱাত এওঁলোকে ভাৰতীয় সেনাসকললৈ বিদ্ৰোহ কৰিবলৈ আহ্বান জনাইছিল। কিন্তু এই প্ৰচেষ্টা ব্যৰ্থ হৈছিল। এই ঘটনাৰ পৰিণামত ৪২ জনৰ মৃত্যুদণ্ড হৈছিল, ২৪৪ জনৰ নিৰ্বাসন-দণ্ড আৰু ৯৯ জনৰ কঠিনতম দণ্ডৰ আদেশ দিয়া হৈছিল।

যিসকল যুৱকক ফাঁচিত ওলমোৱা হৈছিল, তেওঁলোকে ফাঁচিৰ মঞ্চত দণ্ডায়মান হৈ মুখত হাঁহি বিৰিঙাই কৈছিল : 'হে আমাৰ ভাৰতমাতৃ! আমি তোমাৰ শৃংখল মোচন কৰিব নোৱাৰিলোঁ। আমাৰ মাজৰ কোনোবা এজনো যদি জীয়াই থাকে, তেওঁ তোমাৰ শৃংখল-মোচন কৰিবলৈ সমগ্ৰ জীৱনকাললৈ তেওঁ সৰ্বশক্তিৰে সচেষ্ট হৈ থাকিব।

আমি জানো নে?

১. 'অযোধ্যা' কোনখন ৰাজ্যৰ ৰাজধানী?
২. ৰামচন্দ্ৰৰ বংশৰ প্ৰতিষ্ঠাতা কোন?
৩. বিজয়নগৰ ৰাজ্যৰ প্ৰতিষ্ঠাতা ভাতৃদ্বয় কোন আছিল? তেওঁলোকৰ ৰাজধানী ক'ত আছিল?
৪. বিজয়নগৰ ৰাজ্যৰ স্থাপনা হৈছিল কেতিয়া?
৫. বিজয়নগৰৰ শাসকবৰ্গৰ মাজত কোনগৰাকী সম্ৰাটোকৈ উল্লেখযোগ্য?

[উঃ ৩৬ পৃঃ]

শিৱ

জগতৰ প্ৰাণীকুলক সংকটৰপৰা পৰিত্ৰাণ কৰাৰ দেৱতা হ'ল ভগৱান হৰ, বা শিৱ। শিৱ হ'ল লয়কাৰী। ব্ৰহ্মা সৃষ্টিকাৰী আৰু বিষ্ণু হ'ল স্থিতিকাৰী। হৰ, বা শিৱ হ'ল ত্ৰিমূৰ্তিৰ তৃতীয়, সংহাৰকাৰী। এই সংহাৰ কাল্পনিক; কিয়নো শিৱইহে সৃষ্টিৰ মূলাধাৰ। জগতৰ পৰিৱৰ্তনৰ আধাৰ। নটৰাজৰ ৰূপত আমি শিৱাংশৰ দৰ্শন পাওঁ। নটৰাজৰ নৃত্যত কালগমনৰ সংকেত পৰিলক্ষিত। সেইহে শিৱক 'মহাকাল' বুলিও কোৱা হয়।

শিৱৰ অৰ্থ হ'ল শম্ভু, শাশ্বত ইত্যাদি। শংকৰ, ৰুদ্ৰ, মহাদেৱ আদি হ'ল শিৱৰ অন্য নাম। আই দুৰ্গা হ'ল শিৱৰ পত্নী। তেওঁক সতী, উমা, পাৰ্বতী আদি নামেৰেও সম্বোধন কৰা হয়।

লিংগ-ৰ অৰ্থ হ'ল চিহ্ন। সেই দিব্য পৰিপূৰ্ণতাৰ প্ৰতীকৰূপে প্ৰস্তৰ-নিৰ্মিত লিংগাকাৰ মহাদেৱৰ আৰাধনা আৰম্ভ হৈছিল।

ধন ধৰ্মৰো মুল–প্ৰদূষণৰো!

বিশ্বৰ ধনিক লোকসকলৰদ্বাৰা প্ৰকৃতিৰ বিশেষভাৱে বিনষ্ট হৈছে, পৰিৱেশঘটিত প্ৰদূষণ-সমস্যাৰ সৃষ্টি হৈছে। ওৱাৰ্ল্ড-ওৱাচ্চ নামৰ আলোচনীৰ এয়ে মত!।

মোটৰ জাতীয় যানবাহনৰ গেছ, মাংসজাতীয় বস্তুৰ এৰেহা, অন্যান্য অসংখ্য বিধৰ বস্তু ধনী উপভোক্তাসকলৰদ্বাৰা, বায়ুমণ্ডলত নিক্ষিপ্ত হৈ বিপদৰ সৃষ্টি কৰিছে। মোটামুটিভাৱে ৯০ শতাংশ ক্লোৰো ফ্লোৰোকাৰ্বন এইবোৰৰদ্বাৰা উৎপন্ন হৈছে। এই ক্লোৰো ফ্লোৰো কাৰ্বনে পৃথিৱীৰ আবহমণ্ডলৰ 'ওজোন' স্তৰক চূড়ান্তভাৱে ক্ষতিগ্ৰস্ত কৰিছে।

সম্বাদ-

বি-সম্বাদ

গণিত -গণেশ

দক্ষিণ উইম্‌ব্লেডনৰ অধিবাসী গণেশ সিত্তম্‌-পালমক (বয়স : ১১ বছৰ) খাবে বিশ্ববিদ্যালয়ত সপ্তাহত এদিনকৈ গণিত পঢ়াৰ বাবে অনুমতি প্ৰদান কৰা হৈছে । এঘাৰ বছৰীয়া গণেশে তাৰ দুগুণ বয়সৰ ছাত্ৰসকলৰ সৈতে একেলগে পঢ়িব। গণিতত তাৰ অত্যধিক ৰাপ থকা কাৰণে এই অনুমতি দিয়া হৈছে বুলি গণেশৰ শিক্ষকে মন্তব্য কৰিছে। গণেশৰ মাক-দেউতাকো গণিতজ্ঞ।

সাহিত্যৰ কিঞ্চিত

১. মৃত্যুদণ্ড প্ৰদানৰ অন্তত সেই মৃত্যুদণ্ডক কাৰ্য্যকৰী কৰাৰ আগতে কোনগৰাকী মহান লেখকক ক্ষমা কৰা হৈছিল ?

২. তেওঁৰ ৰচিত উল্লেখযোগ্য উপন্যাস কি কি ?

৩. শ্বেক্সপিয়াৰৰ নাটকৰ সংকলন পোন প্ৰথমে কেতিয়া প্ৰকাশ পাইছিল ?

৪. কোনগৰাকী লেখকে তেওঁ বসবাসকাৰী নগৰখনক নিজৰ নামেৰে নামাংকিত কৰিবলৈ দাবী জনাইছিল ?

৫. কোনগৰাকী সুপ্ৰসিদ্ধ ভাৰতীয় চলচ্চিত্ৰ পৰিচালকে মাতৃভাষাত শিশু-সাহিত্য ৰচনা কৰে ?

উত্তৰ

জানোনে ?

১. কোশল।

২ ইক্ষাকু।

৩. হৰিহৰ ৰায়,বুক্ক ৰায়।

৪. ১৩৩৬ চনত। হাম্পি।

৫. কৃষ্ণদেৱৰায়।

সাহিত্য

১. ফি'অড'ৰ ডস্টয়েভ্স্কি (১৮২১-৮১)।

২. 'ব্ৰাদাৰ্স কাৰমাজোভ', ক্ৰাইম অ্যাণ্ড পানিশ্বমেণ্ট', 'ইনছালেটেড অ্যাণ্ড ইন্জাৰ্ড' ইত্যাদি।

৩ ১৬২৩ চনত।

৪. ভিক্তৰ হুগো।

৫. সত্যজিত ৰায়।



পৃথিৱীৰ পৌৰাণিক কাহিনী-

ঘোঁৰায়ো হেঁহিলে ৰজাও উঠিলে

পাৰস্যদেশৰ যুৱৰাজ স্মেৰডিছক এদল গুপ্তঘাতকে হত্যা কৰিলে। মাত্ৰ এজন মানুহ এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী আছিল। সেইজন মানুহে ভাবিলে : এতিয়া দেখোন মইেই ৰজাৰ ভাও দিব পাৰোঁ।

ভবা মতে কাম কাৰ, হুবহু স্মেৰডিছৰ ৰূপ ধাৰণ কৰি যেতিয়া এই নকল-ৰজা ৰাজসভালৈ গ'ল, তেতিয়া কোনেও তাক সন্দেহ নকৰিলে। নকল-ৰজাক যথাৰীতি ৰাজমুকুট পিন্ধোৱা হ'ল।

কিন্তু সেই ঠাইৰ সাতজন যুৱকে এই ঘটনাৰ কথা জানিছিল। এই যুৱক-সকলে যুৱৰাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তাক সিংহাসনচ্যুত কৰিলে আৰু তাক তৎক্ষণাৎ মৃত্যুদণ্ড বিহা হ'ল।

নগৰখন উৎসৱমুখৰ হৈ উঠিল। এই সাতো যুৱকেই যে অত্যন্ত বিশ্বস্ত—সেই কথাত নগৰবাসী নিঃসংশয় আছিল। নগৰবাসীয়ে এই সাতো যুৱকলৈ আদৰণি জনালে, আৰু তেওঁলোকৰ মাজৰ যিকোনো এজন ৰজা উঠিলে পূৰ্ণ সমৰ্থন জ্ঞাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিলে।

কিন্তু এই সাতজনৰ মাজত কাকনো ৰজা পতা হ'ব ? আলোচনা-বিলোচনা কৰি সাব্যস্ত কৰা হ'ল যে —এই সাতো যুৱকেএকেলগে ঘোঁৰাত উঠি ওলাব। যিজনৰ ঘোঁৰাই প্ৰথমে হেঁহনি মাৰিব, তেওঁকে পাৰস্যৰ ৰজা পতা হ'ব।



এই সপ্ত যুৱকৰ মাজত দাৰিয়ুছ নামৰ এজন অতি সাহসী আৰু সচ্চৰিত্ৰ যুৱক আছিল আৰু তেওঁৰ আছিল এটি চতুৰ ভৃত্য। এই ভৃত্যটিয়ে আঁৰৰপৰা সেই চুক্তিৰ কথোপকথন শুনিছিল আৰু এই বিষয়ে কিবা এটা কৰিবলৈ মনস্থিৰ কৰি গধূলি পৰতে দাৰিয়ুছৰ ঘোঁৰাটোক লৈ ক'ৰবালৈ ওলাইছিল।

এডৰা বিস্তীৰ্ণ ঘাঁহনিত এজোপা তাল-গছৰ ছাঁত দাৰিয়ুহৰ ভৃত্যটিয়ে ভালৰো ভালকৈ অতি যত্ন কৰি ঘোঁৰাটোক খুৱালে আৰু তাৰ পাছত পুনৰ ওভোতাই আনি গৰালত থৈ দিলে।



পাছদিনা সেই সাতো যুৱক ঘোঁৰাত উঠি একেলগে ওলাল। আজিৰ প্ৰভাত আছিল তেওঁলোকৰ জীৱনৰ এক পৰম-প্ৰাৰ্থিত প্ৰভাত। সূৰ্য্য উদিত হ'ল আৰু তেওঁলোক কদমত আগ বাঢ়িল।

হঠাৎ, সেই বিস্তীৰ্ণ ঘাঁহনিৰ সেই তাল-জোপাৰ তল পায়েই দাৰিয়ুহৰ ঘোঁৰাটোৱে বিগত সন্ধিয়াৰ ভালৰো ভাল খাদ্যৰ কথা সুঁৱৰি হেঁহনি মাৰিলে।



লগে লগে আন ছজন যুৱক তেওঁলোকৰ ঘোঁৰাৰপৰা নামি দিলে আৰু মূৰ দোঁৱাই পাৰস্যদেশৰ নতুন ৰজা দাৰিয়ুছলৈ অভিনন্দন জ্ঞাপন কৰিলে। তেওঁৰ ঘোঁৰাৰ এই হেঁহনি-ৰহস্যৰ কথা দাৰিয়ুছে একো নাজানিছিল। তেওঁ এই ঘটনাক দৈৱাদেশ বুলি গ্ৰহণ কৰিলে।

'সম্রাট দাৰিয়ুছ দীৰ্ঘজীৱি হওক—' ধ্বনিৰে ৰাজপথ মুখৰিত কৰি যুৱক ছজন দাৰিয়ুছৰ পিছে পিছে গৈ থাকিল। অসংখ্য নগৰবাসীও ৰাজপথৰ দুকাষত তেওঁলোকৰ নতুন ৰজাক দৰ্শন কৰিবলৈ দলে দলে সমবেত হৈছিল।



যথাৰীতি দাৰিয়ুছক পাৰস্যৰ ৰজা পতা হ'ল। তেওঁ পাৰস্যৰ ইতিহাসৰ অতি শক্তিশালী ৰজা হিচাপে পৰিগণিত। হয়তো দৈৱইহে দাৰিয়ুছৰ ভৃত্যৰ যোগেদি এই ঘটনাৰ সৃষ্টি কৰিছিল। পাৰস্যদেশৰ ইতিহাসত দাৰিয়ুছৰ নাম আজিও স্বৰ্ণাক্ষৰেৰে লিপিবদ্ধ আছে।

বুদ্ধিমান

বিশালগড় গাঁৱত নাৰায়ণ আৰু জাহ্নৱী নামৰ এহাল দুখীয়াৰো দুখীয়া পতি-পত্নী আছিল আৰু এইহালৰ আছিল প্ৰমোদ নামৰ এটি ল'ৰা। প্ৰমোদৰ দহ বছৰীয়াতে তাৰ মাক-দেউতাক সান্নিপাত জ্বৰত পৰি ভগৱন্তৰ অন্তৰপৰশা হৈ গ'ল আৰু প্ৰমোদ পৰিল অথন্তৰ পৰশা হ'ল।

কি আৰু কৰে প্ৰমোদে—লোকৰ ঘৰে ঘৰে ঘৰুৱা কাম-বন কৰি কৰি লোকৰ ঘৰে ঘৰে খাই কথমপি জীয়াই থাকিল।

কেতিয়াবা কেতিয়াবা একে লগে তিনি-চাৰিজনে প্ৰমোদক নানান কাম-বন কৰি দিবলৈ কৈছিল। প্ৰমোদৰ মাত্ৰ দুখন হাত, কেনেকৈনো ইমানবোৰৰ কাম একেলগে কৰিব ? এই কথাত লাগে দন, উঠে খং, আৰু যিজনৰ কাম কৰি দিয়ে তেওঁৰ বাহিৰে আন কেইজন প্ৰমোদক দুমিয়ায়, কয় যে তেওঁলোকৰ ঘৰত প্ৰমোদৰ ভাত উঠিল।

কিছুদিনৰ পাছত ৰামধ্যান নামৰ খেতিয়ক এজনে প্ৰমোদক ক'লে, "হাবে পমোদ, এইদৰে লোকৰ লাঙনি-পাচনি কৰি, নাকনি-কাননি হৈ আধাপেটী খাই কিমান দিন চলিবি ? তাতকৈ তই মোৰ ঘৰতে ঘৰৰ ল'ৰাৰ দৰে থাকি পেট পূৰাই খাবি-ল'বি টুকুটাকু ইটো-সিটো কৰিবি।"

এই সুন্দৰ প্ৰস্তাৱ প্ৰমোদে তৎক্ষণাৎ মানি ল'লে আৰু পাছদিনাৰেপৰাই ৰামধ্যানৰ ঘৰত থাকি কাম-বনত ধৰিলে। ৰামধ্যানে কোৱাৰ দৰে তেওঁৰ ঘৰৰ কাম-বন টুক্-টাক্ আছিল হয়, পিছে সৰু-সুৰা টিলাৰ দৰে টুক্-টাক্ ; কিন্তু এতিয়া

কান্তা ভট্টাচাৰ্য্য

তো আৰু সেই টিলাত টিলাই দি উঠিবৰ উপায় নাই!

এমাহমানৰ অন্তত গাঁৱৰে অৱস্থাপন্ন খেতিয়ক প্ৰবোধে প্ৰমোদক অকলশৰীয়াতে পাই ক'লে, "চোৱা প্ৰমোদ, ৰামধ্যানে কিন্তু তোমাৰ প্ৰতি দোৰ্ঘোৰ অন্যায় কৰিছে। কেৱল দুসাজ দুমুঠি পেটত ভৰালেই হ'বনে? ভৱিষ্যৎ বোলা পদ-পদাৰ্থ তোমাৰ নাইনে কি? তুমি মোৰ ঘৰলৈ ব'লা, মই তোমাক খোৱা-বোৱাৰ উপৰিও মাহেকত ত্ৰিছটকৈ ৰূপ দিম।"

প্ৰমোদে ৰামধ্যানক এৰি প্ৰবোধৰ ঘৰলৈ গ'ল আৰু তাতে মনপুতি কাম-কাজ কৰি থাকিল। ৰামধ্যানে প্ৰবোধক হোৱাই-নোহোৱাই গালি পাৰি থাকিল।

গাঁৱৰ কিছুমানক প্ৰবোধে বুজাই ক'লে, "ৰামধ্যানে মোক গালি পাৰি কিন্তু অনিয়ায় কৰিছে। প্ৰমোদক মই মই ল'লোঁ—এই কথাত বাৰু কি জগৰ লাগিল? ৰামধ্যানে প্ৰমোদক মাত্ৰ দুসাজ দুমুঠি আধাপেটীকৈ খোৱাৰ চুক্তিৰে হাড়ভঙা কাম কৰাইছিল; মই তাক পেট পুৰাই খোৱাৰ বাহিৰেও মাহেকত ত্ৰিছ টকাকৈ দিছোঁ।—আপোনাসৱেই নিয়ায়-অনিয়ায় চাওক।"

তেতিয়া কিছুমানে প্ৰবোধৰ হৈ, কিছুমানে ৰামধ্যানৰ হৈও মাত মাতিলে।



এইবাৰ গাঁওবুঢ়াই দাংখাই উঠি ক'লে, "প্ৰমোদ কিন্তু কাৰোবাৰ নিকিনা গোলাম হৈ জনম লোৱা নাছিল। তাৰ য'তে মন যায় আৰু খায় তাতে কাম কৰিব পাৰে।"

"ঠিক ঠিক, একেবাৰে সঠিক কথাটিকে কৈছা তুমি।" গাঁৱৰ মস্ত ধনী খেতিয়ক ভূষণেও মাত মাতিলে।

পাছদিনা, চাকৰ এটাক পঠিয়াই ভূষণে প্ৰমোদক মতাই অনাই—প্ৰতিদিন তিনি সাজকৈ খোৱা, মাহিলি পঞ্চাছ টকা দৰমহা আৰু সংক্ৰান্তি পৰৱৰ দিনা নতুন চোলা-চুৰিয়া দিয়াৰ প্ৰতিশ্ৰুতিৰে প্ৰমোদক তেতিয়াৰেপৰাই তেওঁৰ ঘৰত কামত মকৰল্ কৰিলে।

প্ৰবোধে গাঁৱৰ ৰাইজক ক'লে, ভূষণে তাৰ বৰলোকালি দেখুৱাবলৈ আৰু তাৰ ক্ষমতাৰ প্ৰমাণ দিবলৈ আওবাট লৈছে। মোৰ চাকৰটোক কিয় সি ফুচুল ই নিব লাগে? এয়া প্ৰকৃত ডাঙৰ মানুহৰ কামো নহয়, বুদ্ধিমানীও নহয়।"

তাতেই তাপমাৰি বহি থকা ৰামধ্যানে প্ৰবোধক লাহেকৈ সুধিলে, "তুমিয়েইবা কি কৰিছিলা? মোৰ চাকৰ প্ৰমোদক লোভ দেখুৱাই লৈ নগৈছিলানে? তাক বাৰু বুদ্ধিমানী বোলেনে?"

শুনি প্ৰবোধৰ খং চৰি গ'ল। দুয়োৰে মাজত দৰৱা-দৰৱি লাগি পৰিল। গাঁৱৰ বয়সিয়াল কিছুমানে দৰৱা-দৰৱি কৰি



থকা ছুয়োকো একৰাই দিলে।

এইদৰে, কিছুদিন ধৰি প্ৰমোদক লৈ কাজিয়া-পেচাল চলি থাকিল। এদিন প্ৰমোদে এখন চিঠি লিখি, চিঠিখন গাঁৱৰ গাঁওবুঢ়াৰ ঘৰত পেলাই, ৰাতিৰ পৰতে গাঁও এৰি ক'ৰবালৈ গুচি গ'ল।

পাছদিনা—গাঁৱৰ বহুতকে মতাই আনি গাঁওবুঢ়াই তেওঁলোকৰ আগত প্ৰমোদে লিখা চিঠিখন পঢ়ি শুনালে। চিঠিখনত লিখা আছিল:

'গাঁৱৰ সৰু-ডাঙৰ সকলোলৈকে মোৰ নমস্কাৰ থাকিল। মই যেতিয়া মাতৃ-পিতৃহীন হ'লোঁ, তেতিয়া আপোনা-লোকেই মোক পালি-পুহি খুৱাই-বুৱাই জীয়াই ৰাখিছিল—এই কথাটি মই কদাপি নেপাহৰোঁ, আৰু তাৰ বাবে মই প্ৰকৃততেই কৃতজ্ঞ। কিন্তু—মোৰ কথাত—মোক লৈ সদায়তে যিবোৰ লণ্ড ভণ্ড কাণ্ড চলি আছে, তাৰ শেষ পৰিণতি আনকি পাৰস্পৰিক হত্যালৈকো চাল ল'ব পাৰে বুলি মোৰ ধাৰণা হৈছে। এই কাৰণে—কাৰো কোনো অনিষ্ট নকৰাকৈ—মই চিৰদিনৰ বাবে এই গাঁও এৰি গুচি গৈছোঁ। মই খ ই পাত ফলা নহওঁ, ৰামৰ খাই ৰাৱণৰ গীত গোৱাৰ অভ্যাসো মোৰ নাই। —সদৌটিলৈ পুনৰ নমস্কাৰেৰে।'

যেতিয়া প্ৰমোদৰ চিঠিখন পঢ়া শেষ হ'ল, তেতিয়া গাঁৱৰ ৰাইজৰ সৰহভাগৰে মুখ কিছু ক'লা পৰিল আৰু তেওঁলোক বিস্মিতও হ'ল।

তেতিয়া গাঁওবুঢ়াই গাঁৱৰ ৰাইজক ক'লে, "প্ৰমোদৰ এই নিৰ্ধাৰণ সঠিক নিৰ্ধাৰণ। সি আৰু কিছুদিনলৈ ইয়াত থকাহেঁতেন — নিশ্চয় এওঁলোকৰ মাজত কোনোবা খুন হ'লহেঁতেন। একমাত্ৰ প্ৰমোদহে বাস্তৱিকতে বুদ্ধিমান।"

গাঁওবুঢ়াৰ কথাত সদৌটিয়েই নিৰৰে-নিমাতে মূৰ দুপিয়ালে।



বীৰ হনুমান

৮

সুগ্ৰীৱে উপলব্ধি কৰিলে যে, অন্য অন্য বানৰতকৈ হনুমানৰ মাজতে কাৰ্য্য কৰাৰ প্ৰবণতা অধিক পৰিলক্ষিত হয়। হনুমানৰ ক্ষমতাও অন্য অন্যৰ তুলনাত অধিক। সেইহে সুগ্ৰীৱে হনুমানক ক'লে ঃ

"হে মহান বীৰ হনুমান ! তুমি বায়ুত, জলত, পৃথিৱীত, আৰু আকাশতো সঞ্চাৰ কৰিব পাৰা। তুমি নজনা-নভ্ৰমা কোনো লোক নাই। কি পৰ্বত কি সমুদ্ৰ তুমি সকলোতে সমভাৱে বিচৰিব পাৰা। পৃথিৱীখনত তোমাতকৈ শক্তিমন্ত প্ৰাণী ক'তো বিচাৰি পাবলৈ নাই। সেইহে, সীতা দেৱীৰ অন্বেষণৰ কাৰ্য্য তুমিয়েই পাৰিবা বুলি মোৰ দৃঢ় বিশ্বাস হৈছে।"

সুগ্ৰীৱৰ কথা শুনি শ্ৰীৰামচন্দ্ৰয়ো হনুমানৰ শক্তিমত্তা তথা বুদ্ধিমত্তাৰ সম্পৰ্কে অৱহিত হ'ল। ৰামচন্দ্ৰই নিজৰ হাতৰ আঙঠি এটা হনুমানৰ হাতত গটালে আৰু ক'লে, "হে বানৰশ্ৰেষ্ঠ ! এই আঙঠিটো চাই সীতাই বুজিব পাৰিব যে তুমি শত্ৰু পক্ষৰ কোনো নহয়। আঙঠিটি চালে সীতাৰ মনৰপৰা সৰ্ব সন্দেহ দূৰীভূত হ'ব, বুজিব যে তুমি মোৰেই মিত্ৰ। সুগ্ৰীৱৰ কথা শুনি মোৰো ধাৰণা হৈছে যে— সীতা-উদ্ধাৰৰ কাৰ্য্যত তুমি অৱশ্যেই সফল হ'ব পাৰিবা।"

হনুমানে হাতত আঙঠিটো লৈ শ্ৰীৰামচন্দ্ৰক প্ৰণাম কৰিলে। তাৰ পাছত—

'স্বয়ংপ্ৰভাৰ কাহিনী'



ৰামচন্দ্ৰৰ চৰণদ্বয় স্পৰ্শ কৰাৰ অন্তত তাৰপৰা ওলাল। গমনোদ্যত হনুমানক ৰামচন্দ্ৰই পুনৰ এবাৰ ক'লে, "হনুমান, মই তোমাৰ বাট চাই ৰৈ থাকিম। তুমি সাধ্য মতে সীতাক বিচাৰি থাকিবা।"

তৎপৰ বানৰকুল পংগপালৰ দৰে চাৰিওফালে বিয়পি পৰিল। কাৰ্য্য সাধি উভতিবলৈ সময় প্ৰদত্ত হৈছিল মাত্ৰ এমাহ। বানৰকুল দিশে দিশে গুচি যোৱাৰ পাছত ৰাম আৰু লক্ষ্মণ প্ৰস্ৰৱণ পৰ্বতৰ গুহালৈ গ'ল আৰু তাত বানৰকুলৰ, বিশেষকৈ হনুমানৰ উভতি অহালৈ সাগ্ৰহে দিনাতিপাত কৰিবলৈ ধৰিলে।

বিনতৰ দলে পুব দিশলৈ আৰু সুষেণৰ বানৰ-দলে পশ্চিম দিশলৈ ঢাপলি মেলিলে। কিছুমান উত্তৰ দিশলৈকো গ'ল। হনুমান, তাৰ, আৰু অংগদ ওলাল দখিণ দিশলৈ বুলি। যেতিয়া এইদৰে সংখ্যাতীত বানৰ চাৰিওভিতি বিয়পি পৰিল, তেতিয়াহে 'ৰামৰ কাম কিঞ্চিত কৰিব পাৰিলোঁ' বুলি ভাবি সুগ্ৰীৱে মনত তৃপ্তি তথা অপাৰ শান্তি অনুভৱ কৰিলে।

*

সুগ্ৰীৱৰ আদেশক্ৰমে ওলোৱা বানৰ-কুলে সাধ্য মতে সীতা দেৱীৰ অন্বেষণত দেহে-কেহে লাগিল। এই বানৰকুলে সমস্ত দিন ধৰি পাহাৰ-পৰ্বত-গুহা-নৈ-বিল-নিজৰা-সাগৰ — সকলোতে তন্ন তন্নকৈ সীতা দেৱীক বিচাৰি থাকিল।

তাৰ পাছত, ঠিক এমাহৰ অন্তত, প্ৰথমেই উত্তৰ দিশলৈ যোৱা বানৰকুল ব্যৰ্থ হৈ উভতি আহিল। তেতিয়া সুগ্ৰীৱৰ সৈতে শ্ৰীৰামচন্দ্ৰও তাত বহি আছিল।

তথাপি, আশা অবিনশ্বৰ। দক্ষিণ দিশলৈ যিটো বানৰ-দল ওলাল, সেই দলটো এতিয়ালৈকো উভতি অহা নাই। সীতাক লৈ ৰাৱণ দক্ষিণ দিশলৈকে গৈছিল। গতিকে—হনুমানে সীতাৰ সম্বাদ অৱশ্যই কঢ়িয়াই আনিব—এই সম্ভাৱনা

ৰামচন্দ্ৰৰ পক্ষে অতি আশাদায়ী।

ইতিমধ্যে—সীতাক অন্বেষি হনুমান প্ৰমুখ বানৰ বীৰসৰ বিন্ধ্যপৰ্বত পালেগৈ। এই বিন্ধ্য পৰ্বতশ্ৰেণী আছিল বিশাল-সুদীৰ্ঘ। তাত অগণন শিখৰ আৰু অসংখ্য গুহা আছিল। সেই প্ৰান্তত আছিল বিৰাট-বিশাল অৰণ্য, সুদীৰ্ঘ খৰস্ৰোতা নদ-নদী, সুউচ্চ বৃক্ষৰাজি, আহাৰ্য্যৰ যোগ্য ফল-কন্দ-মূল। বিন্ধ্য পৰ্বতৰ চুকে-কোণে বানৰকুলে সীতা দেৱীক তন্ন তন্নকৈ বিচাৰিবলৈ ধৰিলে।

গৈ গৈ বানৰকুলে এনে এডোখৰ বিস্তীৰ্ণ ঠাই পালেগৈ—যি ঠাইৰ বৃক্ষৰাজি শুষ্ক হৈ পৰিছিল, নদ-নদীও শুষ্ক আছিল। লতা, পুষ্প, ফল একোৱেই তাত নাছিল। তাত কোনো জন্তু বা পক্ষীও নাছিল। ঠাইডোখৰ আছিল একেবাৰে নিটল-নিৰ্জন-ভয়ানক নিৰৱ।

বহুকালৰ আগতে এই ঠাইত কণ্ডু মহৰ্ষি বাস কৰিছিল। তেওঁ আছিল মহান তপোবলসম্পন্ন যোগীপুৰুষ, উগ্ৰ ক্ৰোধী। তেওঁৰ ষোড়শবৰ্ষীয় পুত্ৰ যেতিয়া অকস্মাৎ মৃত্যুৰ গৰাহত পৰিল, তেতিয়া মহৰ্ষি কণ্ডুৱে অভিশাপ দানি এইডোখৰ ঠাই এনেকৈ শ্মশান কৰি পেলাইছিল। —বানৰকুলে এই শূন্য অঞ্চলতো পৰম

শ্ৰদ্ধাৰে সীতাদেৱীক অন্বেষি থাকিল।

এইদৰে, সীতাদেৱীক অন্বেষি গৈ গৈ বানৰকুলে এক বিৰাট অৰণ্য পালেগৈ। তাত বানৰসৰে এটা বিৰাটকায় ৰাক্ষসক দেখা পালে। বানৰকুল যুঁজিবলৈ সাজু হ'ল।

ৰাক্ষসটোৱে চিৎকাৰ কৰি বানৰবিলাকক ক'লে, "তহঁতক মাৰি ভৈয়াম কৰিম।" কৈয়েই ৰাক্ষসটো আগুৱাই আহিল!

অংগদে ভাবিলে যে এই ৰাক্ষসটোৱেই হ'ল ৰাৱণ। এইকথা ভাবি অংগদে এই ৰাক্ষসটোৰ শিৰত প্ৰহাৰ কৰিলে, আৰু ৰাক্ষসটোৱে জোলোকা-জোলোকে তেজ বঁতিয়াই তৎক্ষণাৎ তাতে মৰিল।



বানৰসকলে ভাবিলে যে ৰাৱণ মৰিল আৰু এইবাৰ সীতাদেৱীক এই ঠাইৰ ওচৰে-পাঁজৰে কোনোবা এটা গুহাত নিশ্চয় বিচাৰি পোৱা যাব। কিন্তু বহু পৰলৈকে তন্ন তন্নকৈ বিচাৰিও সিহঁতে সীতাৰ কোনো সা-সন্দেদ উদ্ধাৰ কৰিব নোৱাৰিলে। সকলো বানৰ নিৰাশ হ'ল।

তেতিয়া অংগদে বানৰসকলক ক'লে, "আমি, বিগত বহু দিন ধৰি পৰ্বতে-অৰণ্যে সীতাদেৱীক অন্বেষি আছোঁ; কিন্তু কোনো সুফল পোৱা নাই। সুগ্ৰীৱৰ আজ্ঞা অতি ভয়নক। সুফল আমি কঢ়িয়াই লৈ যাবই লাগিব। এই সুফল পাবলৈ, হতাশ নহৈ, আকৌ অন্বেষণৰ কাৰ্য্যত মনপুতি লাগা। এতিয়া আমাৰ বিশ্ৰামৰ সময় নহয়, কাম কৰাৰ সময়।"

গন্ধমাদনেও বানৰসকলক একেই ধৰণে ক'লে। তেতিয়া বানৰসকলে শ্ৰান্তি-ভাগৰ জাৰি-জোকাৰি পেলাই পুনৰ পৰ্বতে-অৰণ্যে সীতাদেৱীক বিচাৰিবলৈ ধৰিলে। ৰূপোৱালী পৰ্বতশিখৰতো বানৰসকলে সীতাদেৱীক অন্বেষি আহিল। আৰু ঠিক তেতিয়াই সুগ্ৰীৱ-প্ৰদত্ত এমাহৰ মিয়াদৰো অন্ত পৰিল।

বিভিন্ন প্ৰান্তলৈ বিচাৰি বিচাৰি বানৰসকলে নৈঋত প্ৰান্ত পালেগৈ। তাত তেতিয়া—হনুমান্, গজ, গৱাক্ষ, শৰভ, গন্ধমাদন, মৈন্দ্য, দ্বিবিদ, সুষেণ, জাম্বৱন্ত, নল, যুৱৰাজ অংগদ, আৰু তাৰ্ বৈ আছিল।

তাৰ পাছত, প্ৰতিটো গুহা পৰীক্ষা কৰি চাই চাই এসময়ত বানৰসকল এক প্ৰকাণ্ড গহ্বৰৰ ওচৰ পালেগৈ। এই গহ্বৰৰ নাম আছিল ঋক্ষবিল। ময়দানৱে নিৰ্মাণ কৰিছিল এই বিস্ময়কৰ গহ্বৰ। কৰিছিল কিহৰ প্ৰয়োজনত্ৰ জনা নেযায়; কিন্তু বন-লতা-গুল্মেৰে আচ্ছাদিত এই বিশাল গড়-গহ্বৰ আছিল দুৰ্ভেদ্য। বানৰসকল পিয়াহত অস্থিৰ হৈ উঠিল; কিন্তু

সেই ঠাইৰ ওচৰে-পাঁজৰে ক'তো-কেনিও পানীৰ সা-সন্ধান পোৱা নগ'ল।

কিন্তু সেই ঋক্ষবিল নামৰ গড়-গহ্বৰৰপৰা ক্ৰৌঞ্চ (বগ), হংস, সাৰস আৰু চক্ৰবাক (চাকৈ-চকোৱা) আদি পক্ষী উৰি অহা পৰিলক্ষিত হ'ল। এইবোৰ পক্ষী হ'ল জল-পক্ষী। এই দৃশ্য দেখি হনুমান আৰু অন্য অন্য বানৰপ্ৰমুখো বিস্মিত হ'ল। তেতিয়া এওঁলোক ঋক্ষ-বিলৰ কাষ চাপিল।

হনুমানে পৰ্বত আৰু অৰণ্যৰ নাড়ী-নক্ষত্ৰ জানিছিল। তেওঁ লগৰীয়াহঁতক ক'লে, "বন্ধুসকল, চোৱাঁ, এই গড়-গহ্বৰৰপৰা কেনেকৈ জল-পক্ষী উৰি আহিছে। এই গড়-গহ্বৰৰ ওচৰত থকা বৃক্ষ-লতা-গুল্মৰাজিও সেউজীয়া! এই গড়-গহ্বৰৰ ভিতৰত যে সৰোবৰ আছে, সেই কথাত সন্দেহ নাই! আমাৰ মাজত বহুতেই পিয়াহত অস্থিৰ হৈ উঠিছে। আমি এই গড়-গহ্বৰৰ ভিতৰলৈ যাওঁনে?"

হনুমানে ক'বলৈ পালেহে, বানৰবোৰ মুহূৰ্ততে তাত সোমাই পৰিল। গড়-গহ্বৰৰ ভিতৰফাল নিমজ অন্ধকাৰ। কোনো বানৰেই একো দেখা নাপাইছিল। কিন্তু তথাপি সকলো বানৰ সেই নিকপ-কপীয়া অন্ধকাৰত খেপিয়াই খেপিয়াই টলং-ভটংকৈ আগুৱাই গৈ থাকিল। ক'লৈ যে গৈছে—সেই কথা বানৰসকলৰ



মাজত কেৰেই নাজানিছিল।

এইদৰে, বহু দূৰলৈকে সেই সূচীভেদ্য অন্ধকাৰৰ মাজেদি গৈ থকাৰ অন্তত ধীৰে ধীৰে অন্ধকাৰৰ ৰাজত্বৰ অন্ত পৰি আহিল. আৰু অলপ অলপকৈ পোহৰৰ ৰেঙনি দেখা গ'ল।

আৰু তাৰ পাছ মুহূৰ্ততে এক বিস্ময় মণ্ডিত অপূৰ্ব স্থান দৃষ্টিগোচৰ হ'ল। সেই স্থানত আছিল সুশৃংখল শ্ৰেণীভূক্ত কাঞ্চনবৃক্ষ. শালবৃক্ষ. তালবৃক্ষ. অশোকবৃক্ষ, তমালবৃক্ষ, চন্দনবৃক্ষ আদি অতি মূল্যৱান বৃক্ষৰাজি। কিছুমান বৃক্ষ আছিল ফলে-ফুলে সুশোভিত। তাত এক বিশাল স্বচ্ছ সৰোবৰত ফুলি আছিল সোণৰ সুন্দৰ সুন্দৰ পদ্ম, সোণৰ মৎস্য আৰু সোণৰ কচ্ছপ (কাছ)।

তাত বৃহৎ বৃহৎ সুৰমা অট্টালিকাও পৰিলক্ষিত হ'ল। এই অট্টালিকাসমূহৰ খিৰিকী আছিল স্বৰ্ণনিৰ্মিত. চাল সোণ-ৰূপৰ। সেইবোৰ অট্টালিকাৰ চোতালত তৰহে তৰহে মণি-মাণিক্য হীৰা-মুকুতা অ'ত-ত'ত সিঁচৰতি হৈ আছিল।

সেই স্থানত বিস্ময়াভিভূত দৃষ্টিৰে সীতা দেৱীক অন্বেষি থাকোঁতে বানৰসকলে তাত এগৰাকী তপস্বিনী নাৰীক দেখা পালে। স্বৰ্ণচৰ্ম পৰিধান কৰি এই নাৰীয়ে তপস্যা কৰি আছিল। নাৰীগৰাকীৰ দেহৰপৰা অপূৰ্ব জ্যোতি বিকীৰিত হৈ আছিল। এই নাৰীক এনেহেন স্থানত দেখা পাই বানৰসকল বিস্মিত আৰু কিঞ্চিত যেন ভীতও হ'ল।

হনুমানে এই তপস্বিনী নাৰীগৰাকীক প্ৰণাম কৰি ক'লে, "হে দেৱী! তুমি কোন? এই গড়-গহ্বৰ কাৰ?" তাৰ পাছত হনুমানে নিজৰ পৰিচয় এইদৰে দিবলৈ ধৰিলে:

"আমি বহু বহু দূৰৰপৰা ইয়ালৈ আহিছোঁ আৰু অত্যন্ত পৰিশ্ৰান্ত হৈ পৰিছোঁ। আমি কিঞ্চিত পীড়িতও। খোৱা-

পানী আৰু আহাৰ্য্য বিচাৰি বিচাৰি আমি এই স্থান পাইছোঁহি। এই স্থান—কোনোবা ৰাক্ষসৰ মায়া-নগৰীহেন বোধ হৈছে। এই সোণৰ বৃক্ষ, স্বৰ্ণনিৰ্মিত অট্টালিকা আদিৰ গৰাকী কোন ? এই স্থানৰ আশ্চৰ্য্য সৰোবৰৰ স্বৰ্ণপদুম, স্বৰ্ণ মৎস্যৰ স্ৰষ্টা কোন ? হে দেৱী! এইবোৰ প্ৰশ্নৰ সদুত্তৰ প্ৰদান কৰি আমাৰ কুতূহল নিবাৰা।”

হনুমানৰ প্ৰশ্নৰ উত্তৰত সেই তপস্বিনী দেৱীয়ে এইবোৰ কথা ক'লে :

“ময় হ'ল এক মহান দানৱ। তেওঁ হ'ল দানৱসকলৰ বিশ্বকৰ্মা। ময়ৰ মায়াৰেই এনেবোৰ স্বৰ্ণবৃক্ষ, স্বৰ্ণ অট্টালিকা, স্বৰ্ণ পদুম, স্বৰ্ণ মৎস্যাদিৰ সৃষ্টি হৈছে। ময় হ'ল এক বিৰাট তপস্বী। তপস্যাৰ বলেৰে ব্ৰহ্মাক তুষ্ট কৰি এই ক্ষমতা লভিছিল। ময়দানৱে হেমা নামৰ অপ্সৰা এজনীক লৈ ইয়াত সুখ-সন্তোষে থকা দেখি দেৱৰাজ ইন্দ্ৰ কুপিত হৈ ময়ক বজ্ৰায়ুধেৰে বধিলে। তৎপৰ—ব্ৰহ্মাই হেমাক এইবোৰ সৃষ্টিৰ অধিকাৰী কৰিলে।

“মই মেৰুসাৱৰ্নিৰ কন্যা। মোৰ নাম স্বয়ংপ্ৰভা। এই স্থানত থকা হেমাৰ সৰ্ব সম্পদ মই ৰক্ষা কৰি আছোঁ। হেমা মোৰ বান্ধৱী। সংগীত আৰু আৰু নৃত্যতো হেমা পাৰদৰ্শী। হেমাৰপৰা প্ৰাপ্ত বৰেৰে মই সুৰক্ষিত। মোক মোৰ ইচ্ছাৰ বিৰুদ্ধে



কোনেও বধিব নোৱাৰে।

"কিন্তু তুমি, বা তোমালোক কিয়নো এনে দুৰধিগম্য স্থানলৈ আহিলা? কিয় ইয়াত অনাই-বনাই ফুৰিছা? প্ৰথমে তোমালোকে পানী পি-লোৱা, পাছত তোমালোকৰ কাহিনী শুনিম।"

হনুমানে স্বয়ংপ্ৰভাক সকলো বিস্তাৰিত ক'লে। পৰিশেষত হনুমানে স্বয়ংপ্ৰভাক সুধিলে, "দেৱী! আপুনি পানীয়ৰে, খাদ্যেৰে আমাৰ প্ৰাণৰক্ষা কৰিছে। এই উপকাৰৰ প্ৰত্যুপকাৰ কেনেকৈনো কৰিব পাৰোঁ দয়া কৰি ক'বনে?"

"এই কথা শুনিয়েই সুখী হৈছোঁ। তোমালোকৰপৰা কোনো প্ৰত্যুপকাৰ মই বাঞ্ছা নকৰোঁ।" স্বয়ংপ্ৰভাই ক'লে।

"মাতা, এতিয়া আপুনি আমাৰ সকলো কথা জানিলে। সুগ্ৰীৱ-প্ৰদত্ত সময় শেষ হ'ল। আমি যাতে এই গড়-গহ্বৰৰপৰা ওলাই যাব পাৰোঁ, তাৰ বাবে আমাক সহায় কৰক। আমি যদি ইয়াতে অনাই-বনাই ফুৰোঁ, সীতা-মাতৃৰ অন্বেষণ কেতিয়া কৰিম?" হনুমানে ক'লে।

এই কথাৰ উত্তৰত স্বয়ংপ্ৰভাই ক'লে, "মই মোৰ তপোবলেৰে তোমালোকক এই স্থানৰপৰা উলিয়াই দিম। ক্ষণকালৰ বাবে তোমালোকে চকু মুদি দিয়া।"

তপস্বিনী স্বয়ংপ্ৰভাৰ কথা মতে সকলো বানৰে চকু মুদিলে, আৰু চকুৰ পচাৰতে সেই ভয়ংকৰ জটিল সাঁথৰময় গড়-গহ্বৰৰ এৰি এক সম্পূৰ্ণৰূপে নতুন ঠাইত ভৰি দিলে।

বানৰসকলক স্বয়ংপ্ৰভাই ক'লে, "এই স্থান হ'ল বিন্ধ্য পৰ্বত। সৌ তালৈ চোৱা—সাগৰ। তোমালোকৰ মংগল হওক। চৰৈবেতি! চৰৈবেতি! এতিয়া তোমালোক আগ বাঢ়া।"

এই বুলি কোৱাৰ অন্তত স্বয়ংপ্ৰভা তৎক্ষণাৎ তাৰপৰা উভতি গ'ল।

দুখীয়া কাক বোলে

নৰধৰে জীৱনৰ পাতনি মেলিছিল সামান্য হালোৱা ৰূপে; কিন্তু অপৰিমেয় শ্ৰমকৰি. চাওঁতে চাওঁতে নৰধৰ গাঁৱৰ দহগৰাকী ধনিকৰ মাজৰ এগৰাকী হ'ল। নৰধৰৰ একমাত্ৰ জীয়েক ৰাধা সকৰেপৰাই আছিল শান্তশিষ্ট. সচ্চৰিত্ৰা অৰু ডাঙৰ-সকলৰ প্ৰতি শ্ৰদ্ধাৱান ।

ৰাধাৰ এতিয়া বিয়াৰ বয়স হ'ল। কথাটো গম পাই—ভালেমান ঠাইৰপৰা মিতিৰ-কুটুমবোৰে ৰাধাহঁতৰ ঘৰলৈ আহ-যাহ কৰিবলৈ ধৰিলে। ৰাধা দেখাই মেলায়ো ধুনীয়া, লিখা-পঢ়াতো পাকৈত, আৰু কাম-কাজতো পাৰ্গত। নৰধৰে তাইৰ বিয়াৰ কথাত স্পষ্টকৈয়েই কৈ দিছিল যে — কোনোবা দুখীয়া ঘৰলৈ ৰাধাক একোপধ্যে বোৱাৰী কৰি নপঠাব।

এই কথা অহুকাণে-পহুকাণে শুনি চুবুৰীয়া গাঁৱৰ বিজয়ৰ মনত আশা জাগিল ৰাধাক বিয়া কৰিবলৈ। বিজয় প্ৰকৃততেই ধনৱান। কোটিপতি বুলি ক'ব পাৰি। সেইখন গাঁৱৰ প্ৰায় আধাখিনি মাটিৰ মালিক বিজয়। তদুপৰি—তাৰ চাৰিখন দোকান. সুতৰ কাৰবাৰ আৰু তিনটা মস্ত মস্ত পকী ঘৰো আছে।

গতিকে — এদিন বিজয়ে দয়াৰাম পণ্ডিতক মতাই অনাই ক'লে, "পণ্ডিতজী. মই ৰাধাজনীক বিয়া কৰাম বুলি ভাবিছোঁ। কিয়নো—ৰাধা দেখাতো ধুনীয়া. পঢ়া লিখাতো ভাল। যৌতুক হিচাপে যদি মোক মাত্ৰ একলাখ টকা দিয়ে নৰধৰে. মই তাইক বিয়া কৰাবলৈ সাজু। আপুনি তালৈ যাওক, আৰু কথাটো একেবাৰে

কৰবী মহন্ত

খাটাং কৰি আহকগৈ। যদি নৰধৰে একলাখ দিবলৈ হেঁহো-নেহো কৰে. আশী হেজাৰতো ৰফা কৰিব আহিব। —যদি কামটো সুকলমে কৰি দিব পাৰে, আপনাকো এহেজাৰমান দিয়া হ'ব।"

হেজাৰ টকাৰ লোভত পৰি দয়াৰাম পণ্ডিতে সেই দিনাই নৰধৰৰ ঘৰলৈ বুলি চাপলি মেলিলে।

দয়াৰাম পণ্ডিতৰপৰা বিজয়ৰ সম্পৰ্কে আটাইখিনি কথা নিৰৰে আৰু ধৈৰ্য্যেৰে শুনাৰ অন্তত নৰধৰে সৰু সৰু মাতেৰে ক'লে, "পণ্ডিতজী, মই মোৰ ছোৱালী-জনীক কোনো দুখীয়া ঘৰলৈ বোৱাৰী কৰি নপঠাওঁ বুলি কোৱা নাছিলোঁনে ?"

শুনি পণ্ডিতজীৰ চকু কপালত উঠিল। পণ্ডিতজীয়ে ক'লে. "কি কয়! বিজয়—আপোনাৰ তুলনাত কেনেকৈনো দুখীয়া হ'ল? আচলতে আপুনি বোধ কৰোঁ একলাখ টকা যৌতুক হিচাপে নিদিব. কথা আচলতে সিমানেই।"

কিন্তু নৰধৰে দয়াৰাম পণ্ডিতৰ কথাৰ কোনো উত্তৰ নিদিলে।

তেতিয়া পণ্ডিতজীয়ে ক'লে. "ময়ো চামেই নহয়—আপুনি কোনখন ধুবুৰীৰ কোনজন ৰজাক ছোৱালী গটায়. কোন বৰ গছৰ তলত জিৰায়!" এই কথা কৈ পণ্ডিতজী ফুপফুপাই গুচি গ'ল।

কিন্তু পণ্ডিতজীৰ কথাৰে কাউৰী



নমৰিল। বিজয়তকৈও বহু গুণে ডাঙৰ সম্বন্ধ এটাৰ সন্তেদ নৰধৰে পোৱা হ'ল। এই দৰাটিৰ নাম অজয়। অজয় দহ-কোটীপতিতকৈ কম তো নহয়েই। অজয় হীৰা-মুকুতাৰ কাৰবাৰী। ৰজা-মহাৰজা সকলৰ লগতহে তাৰ উঠা-বহা আহ-যাহ। বিজয়ে একলাখটকীয়া যৌতুক খুজিছিল বুলি শুনি অজয়ে নামনাচকৈ আধালাখ-মান খুজিছিল।

অজয়ৰ হৈ আহিছিল পণ্ডিত বাবুৰাম। বাবুৰামৰ কথাখিনি মনপুতি শুনাৰ অন্তত নৰধৰে দয়াৰামক কোৱা কথাখিনিয়েই বাবুৰাম পণ্ডিতকো ক'লে।

শুনি বাবুৰাম পণ্ডিতে তধাউৰি খালে। নিমাখিতটৈ যেন হৈ জুপুকা মাৰি বহি থকা নৰধৰলৈ ট' ট'কৈ চাই ক'লে, "চাওক, আপুনি—অজয়কো যদি বুলিছে দুখীয়া—তিজগতত সুখীয়ানো কোন? আপোনাৰ আকাশ-পৰশা আশাৰ শেষ ক'ত? আশাৰো সীমা থাকিব লাগে—বুইছে নহয় হেৰি? সেই যে কথাতে বোলে—বৰ তেল কোঁহা মাটিত পৰ্—আপোনাৰ অৱস্থা হ'ব সেয়ে।" এই বুলি কৈ পণ্ডিত বাবুৰামে নৰধৰলৈ ঘূৰিও নোচোৱাকৈ পৃষ্ঠভংগ দি গ'লগৈ।

কিছুদিনৰ অন্তত বিনোদ নামৰ যুৱক এজনে নৰধৰক লগ কৰি ক'লেহি, "মই ৰাধাক বিয়া কৰাবলৈ বিচাৰোঁ।



আপোনাৰ যদি মত আছে—কওক।"

নৰধৰে ক'লে, "বোপা, মোৰ তুই-চাৰি লাখ নগদ, আৰু পোন্ধৰ হালিচামান মাটি আছে, ঘৰ দুৱাৰো আছে—দেখিছাই। কিন্তু এইবোৰৰ একো-এটাও মই কাকো দিব নোৱাৰিম। কিয়নো—বুঢ়া বয়সত—ধনেই মোৰ পো-ৰ কাম কৰিব।—এতিয়া কোৱা, তোমাৰনো কি আছে?"

বিনোদে ক'লে, "ডাঙৰীয়া, মোৰ বোলৌতে আছে — চাৰিজনী গাই, চাৰিজনী ম'হ। মই গাখীৰৰ কাৰবাৰত ধৰিছোঁ আৰু আছে সৰু এটা ঘৰ। আন কথা এটা কওঁনে?"

"কোৱাঁ।"

"বুঢ়া বয়সত আপোনাৰ ধনে আপোনাৰ পো-ৰ কাম কৰাৰ সলনি সাতো শতুৰুকহে মাতি আনিব। ধনখিনি সৎকামত এতিয়াই ব্যয় কৰি পেলাওক আৰু ৰাধাৰ লগে লগে আপুনিও মোৰ ঘৰলৈ ব'লক। আপুনি জীৱনৰ বাকী কালছোৱা মোৰ ঘৰতে থাকিব।"

নৰধৰে বিনোদক স্বীকৃতি দিলে।

এই খবৰ পাই দয়াৰাম আৰু বাবুৰাম পণ্ডিতে বিনোদৰ কাষ চাপি বিনোদক সুধিলে, "হেৰা বিনোদ, তুমি—আমাৰ অজয় আৰু বিজয়তকৈ ধনিক কেতিয়াৰ-পৰানো হ'লা?"

বিনোদে হাঁহি ক'লে, "যেতিয়াৰপৰা জীৱনৰ পৰিত্ৰতম শুভ কাৰ্য্য বিবাহত যৌতুকৰ যুঁৰলিৰপৰা ওলাই আহি মনুষ্যত্ব প্ৰদৰ্শন কৰিবলৈ শিক্ষা ল'লোঁ—তেতিয়াৰ-পৰা। চকু থাকোঁতেও খালত পৰা লোকৰ দৰে অপৰিমিত ধন থাকোঁতেও অজয়-বিজয়হঁতে প্ৰকৃততেই ধনৰ দুখীয়া—নৰধৰ ডাঙৰীয়াৰ এই মূল্যায়নত কোনো ভুল নাই।"

এই কথা শুনি পণ্ডিতদ্বয় মুখত কোবোৱা দমৰাহেন হৈ তলমূৰ হৈ গুচি গ'ল।





চন্দ্ৰহাৰ

পাইপইচীয়া দয়াৰামৰ কিৰ্পিণালিৰ কথা নজনা এইখন গাঁৱতে নহয়, ওচৰ-পাঁজৰৰ দহোখন গাঁৱতেও কোনো মানুহ বিচাৰি পাবৈল নাই। দয়াৰামৰ ধন-ধান কম নাছিল; কিন্তু সি এক কঙালৰ জীৱনহে যাপিছিল। প্ৰাণ যাওক পইচা থাওক—এয়ে আছিল তাৰ জীৱন-মন্ত্ৰ।

দয়াৰামৰ ওচৰ চুবুৰীয়া ৰূপমে তেওঁৰ ঘৈণীয়েকৰ বাবে হেজাৰ টকাৰে চন্দ্ৰহাৰ এধাৰ আনিলে, আৰু ঘৈণীয়েক ৰূপালীয়ে চুবুৰিটোৰ সকলোকে সেই চন্দ্ৰহাৰডাল দেখুৱাই ফুৰিলে। দেখুৱালে পাইপইচীয়া দয়াৰামৰ ঘৈণীয়েক দেৱকীকো।

দেখি দেৱকীৰ কি হ'ল কোৱা নাযায়—কিন্তু তাই এটি নকৰিবলগীয়া কাম কৰি পেলালে, চন্দ্ৰহাৰৰ বাবে দয়াৰামক বজৰলেপৰ দৰে ধৰিলে।

ৰূপমৰ ওপৰত দয়াৰামৰ খং উঠিল। নিজৰ মুখ বেঁকা, দাপোণত চৰি চৰ্। ৰূপমেই হ'ল মাধ তাৰ এনে অথন্তৰৰ।

কিন্তু দয়াৰামো বাৰেৰে, দেৱকীও তেৰেৰে। চন্দ্ৰহাৰ পিন্ধি দেখুৱালেই দয়াৰাম মন ভিজিব বুলি ভাবি দেৱকীয়ে ৰূপালীৰপৰা চন্দ্ৰহাৰডাল এদিনৰ বাবে খুজি লৈ ডিঙিত পিন্ধিলে।

চাই দয়াৰামে ক'লে, "তুমি এই চন্দ্ৰহাৰ এতিয়াই দি আহাগৈ। চোৰৰ চকুত পৰিলে সৰ্বনাশ হ'ব।"

"আজি আৰু নাযাওঁ, কালিলৈ ঘূৰাই দিম।" দেৱকীয়ে ক'লে।

ৰাতি পুৱাল। দেৱকীয়ে দয়াৰামক আস্ত-ব্যস্ত হৈ সুধিলে, "কালি ৰাতি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আপুনি--বাৰীৰ ফালৰ দুৱাৰখন মাৰি শোৱা নাছিলনে ?"

"নহয় তো, চোৰ-টোৰ আহিছিলনে কি ? চন্দ্ৰহাৰডাল ঘুৰাই দিছিলানে ?"

"চন্দ্ৰহাৰ সৌ ৰঙা চন্দুকটোত আছে, চিন্তা নাই।" কথাটো কৈয়েই দেৱকীয়ে ৰঙা চন্দুকটো খুলি চাই অবাক হৈ পৰিল। চন্দ্ৰহাৰ চন্দুকত নাই !

বছ. দেৱকীৰ চকুলো ওলাল। ক্ৰমে তাই ৰাও কাঢ়ি কান্দিবলৈ ধৰিলে।

"চেঃ চেঃ! এই কাম কোনো বুদ্ধি থকাই কৰেনে ? —আৰু এই ৰূপমটো যে! সি মোৰ জান্ লৈ হেতালি খেলিবলৈহে ইয়ালৈ আহিছে।" দয়াৰামে দ্বৰৰ বেমাৰীৰ দৰে বলকি থাকিল।

"বাৰীৰ ফালৰ দুৱাৰখন নামাৰি শুবলৈ আপোনাক বাৰু কৈছিলোঁনে মই ?" কান্দি কান্দি দেৱকীয়ে ক'লে।

তাৰ পাছত — দয়াৰামে হেজাৰ-টকাৰে চন্দ্ৰহাৰ এধাৰ গঢ়াবলগীয়া হ'ল।

নতুন চন্দ্ৰহাৰ ঘৈণীয়েকৰ হাতত দি দয়াৰামে ক'লে. "যোৱা যোৱা—এতিয়াই লোকৰ বস্তু ঘূৰাই দি আহাগৈ।"

দেৱকীয়ে মিচিকীয়াই হাঁহি মাৰি ক'লে. "এতিয়া আৰু এই কথাত চিন্তা নকৰিব। এই নতুন চন্দ্ৰহাৰ মোৰেই। কিয়নো—আগৰ চন্দ্ৰহাৰধাৰ বিচাৰি পালোঁ। ৰূপালীৰ চন্দ্ৰহাৰধাৰ ভুলতে পাকঘৰৰ চাঙত থৈ দিছিলোঁ. পাছত মনত পৰিছিল। তিম'নতে আপুনি নতুন চন্দ্ৰ-হাৰৰ বাবে সোণাৰিক কৈয়েই আহিছিল। শুনি—মই আৰু এই কথাত সান-ঘোঁকট কৰা নাছিলোঁ। যি হ'ল—ভালেই হ'ল। ভুলৰ ফলত চন্দ্ৰহাৰ মিলিল।"

ঘৈণীয়েক দেৱকীৰ এই চালাকী বুজি পাই পাইপইচীয়া দয়াৰামে মোচৰ তলত মিচিকীয়ালে।



উগাৰ

বীৰসিংহপুৰৰ প্ৰভাত বৰ অঠাৰবীৰা মানুহ। ক'ৰবালৈ কিবা কামলৈ বুলি ওলাওঁতে যদি কোনোবাই উগাৰ ছাৰে, বছ, হৈ গ'ল ; প্ৰভাত আৰু সেই কামলৈ নোলাব। তাৰ দেউতাক সূৰ্য্যদেৱে কয়, "হাৰে পৰভাত, মোৰ যে তিনিকাল গৈ একালত লাগিল—মোৰো দেখোন এইবোৰ ফুহৰি উগাৰ ফুচুৰ-ফাচাৰৰ অন্ধ-সংস্কাৰ নাই। তইনো পালি ক'ত ?"

এদিন প্ৰভাত এটা শুভ কামলৈ ওলাল। ঘৰৰ চৌকাঠ ডেই ওলোৱামাত্ৰকে তাৰ দহ বছৰীয়া ল'ৰা প্ৰকাশে স্কুকৈ এটি ফুহৰি-উগাৰ মাৰিলে।

প্ৰভাতে বলকি উঠি ক'লে, "ঐ অকালকুষ্মাণ্ডৰ সঁচ, মই এটা শুভ কামলৈ ওলাইছোঁ, আৰু ঠিক সেই সময়তে তোৰ উগাৰ আহিব পালেনে ?"

"উগাৰ আহিল কি হ'ল ? কিয় কাম বন্ধ হ'ল ?" ল'ৰাটোৱে সুধিলে।

"উগাৰ অতি অমঙলীয়া। ওলাওঁতে উগাৰৰ শব্দ শুনিলে মোৰ সেই কাম কেতিয়াও নহ'ব।" প্ৰভাতে ক'লে।

"কিন্তু দেউতা, তুমি যেতিয়াই নোলোৱা লাগিলে– গাঁৱত ইমান মানুহ—কোনো নহয় কোনোৱে সদা-সৰ্বক্ষণ দেখোন উগাৰ ছাৰিয়েই আছে। তেতিয়া কি হয় ?" প্ৰকাশে ধৰিলে।

"সেইবোৰ উগাৰেৰে আমাৰনো কি ?" আমাৰ কাণত নপৰিলেই হ'ল।"

"তেনেহ'লে দেখিছোঁ ককাৰ দৰে হোৱাটোহে ভাল।"

"কেলে' ?" প্ৰভাতে চকু পকাই সুধিলে।

"ককা হ'ল কলা। কোনো সন্দেহ বিনেই তেওঁ সহস্ৰ ফুহৰি উগাৰৰ মাজতো তেওঁৰ কামখিনি নিৰ্বিঘিনিৰে কৰিব পাৰে। গতিকে পাৰা যদি কলা হোৱা, এই মন্ত্ৰ মানি লোৱা।"

পুতেকৰ যুক্তিপূৰ্ণ কথাত প্ৰভাতে সিদিনাপেৰাই এনেবোৰ অন্ধ-সংস্কাৰ এৰিলে।

—মাধুৰী আগৰৱালা



যোগ্যপুত্ৰ

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত চীনদেশৰ হোৱেন ছি—নামৰ চহৰত হ্‌হুৱেন নামৰ এজন মহাধনী মানুহ আছিল। হ্‌হুৱেন মহাধনী, কিন্তু অতি দুষ্ট আছিল। কাৰোবাৰ ওপৰত কিবা কাৰণত খং উঠা হ'লে হ্‌হুৱেনে সেইজন মানুহক যেনেতেনে হত্যা কৰিছিল। অত্যাচাৰী হ্‌হুৱেনৰ এনেবোৰ অত্যাচাৰত বাধা দিবৰ দাঁত কাৰো নহৈছিল।

এইখন হোৱেন ছি চহৰতে বাং নামৰ এজন দুখীয়াৰো দুখীয়া মানুহ আছিল। বাং দুখীয়া; কিন্তু দুষ্ট নহয়। বাঙে ৰজাৰ ওচৰত হ্‌হুৱেনৰ অত্যাচাৰৰপৰা ৰাইজক ৰেহাই দিবলৈ প্ৰাৰ্থনা কৰিলে।

ৰজাই বাঙৰ প্ৰাৰ্থনা শুনিও শুনা হ'ল। তেওঁ ভাবিলে যে — হ্‌হুৱেনৰ ভালৰো ভাল অৱস্থালৈ চাই কঙাল বাঙে ঈৰ্ষালু হৈহে গোচৰ তৰিছে।

ৰজাই বাঙক ক'লে, "আগলৈ যদি আন কাৰোবাৰ নামত কিবা ধৰণৰ চুকলিখোৰি কৰিছা তোমাক টানৰো টান দণ্ড দিয়া হ'ব। এতিয়া গুচা।"

হতাশ হৈ ৰাজসভাৰপৰা ওলাই আহি বাং বাট কুৰি বাই গৈ থাকিল। হঠাৎ এঠাইৰপৰা 'বচোৱা, বচোৱা' বুলি আৰ্তনাদৰ শব্দ উঠাত বাং সেইপোৰন দৌৰি গ'ল আৰু এক অদ্ভুত ঘটনা দেখা পাই তাৰ গাত ভবৰি উঠিল। তাত হ্‌হুৱেনে এক বৃদ্ধাক সৌকাৰে উৰাই-ঘূৰাই কোবাই আছিল আৰু···পঁচিছ ··ছাব্বিছ ···সাতাইছ···'কৈ সৌকাৰ কোব গন্তি কৰি আছিল।

'চীনদেশৰ লোক-কথা'

কাণ্ড দেখি বাঙৰ প্ৰচণ্ড খং উঠিল আৰু হিতাহিত জ্ঞানশূন্য হৈ তাতে পৰি থকা কোৰ এখন দাঙি লৈ হ্‌হুৰেনৰ বুকুত শোধালে। হহুৰেন লগে লগে কটা কলগছটোৰ দৰে বাগৰি পৰিল আৰু পোনে পোনেই স্বৰ্গলৈ গ'লগৈ।

আৰু বাং পোনে পোনে গ'ল পুনৰ সেই ৰজাৰ ওচৰলৈ। বাঙে সঁচা কথা ক'লে।

ৰজাই বাঙক মৃত্যুদণ্ড দিলে।

দুদিনমানৰ পাছত বাঙৰ গাঁৱৰপৰা কেইজনমান বয়সস্থ মান্যগণ্য ব্যক্তিয়ে ৰাজসভালৈ আহি ৰজাক ক'লে, "মহাৰাজ! বাং মানুহজন কঙাল হ'লেও ন্যায়ৱান আৰু ভদ্ৰ। হ্‌হুৰেন ধনাঢ্য আছিল: কিন্তু আছিল অন্যায়-অত্যাচাৰী। বৃদ্ধা এগৰাকীক হ্‌হুৰেনে সৌকাৰে উৰাই-ঘূৰাই কোবোৱা দেখি সহিব নোৱাৰি বদমাছৰো বদমাছ হহুৰেনক অনিচ্ছাকৃত-ভাবে মাৰি পেলালে। মাৰি পেলাই—বাঙে এটি পৱিত্ৰ কামেই কৰিলে। দয়া কৰি বাঙক মুক্তি দিয়ক, মহাৰাজ!" কিন্তু—ইমানকৈ কোৱা সত্বেও ৰজাই বাঙক ৰেহাই নিদিলে।

হঠাৎ পোন্ধৰ যোল বছৰীয়া ল'ৰা এটাই ৰজাক সাষ্টাংগে প্ৰণাম কৰি হাত যোৰ কৰি ক'লে, "সম্ৰাট! বাঙৰ সলনি মোক ফাঁচি দিয়ক আৰু বাঙক মুক্তি দিয়ক।"

অবাক হৈ পৰা ৰজাই ল'ৰাটোক



সুধিলে. "তুমিনো কোন বোপা ? বাঙৰ হৈ কিয় জীৱন উছগিবলৈ আহিছা ?"

"হে মহাৰজাধিৰাজ! মই হ'লোঁ বাঙৰ জ্যেষ্ঠ পুত্ৰ। আমি চাৰিও ভাই-ককাই। মই নাথাকিলেও, অৰ্থাৎ ফাঁচিৰ জৰীত মোৰ মৃত্যু হ'লেও মোৰ মা-ৰ আৰু তিনিজন ল'ৰা থাকিব আৰু তেওঁ মোক হেৰুউৱাৰ দুখ সহিব পাৰিব। কিন্তু দেউতাৰ অবিহনে মা একেবাৰে নিঠৰুৱা হৈ পৰিব।" ল'ৰাটিয়ে ক'লে।

শুনি ৰজাই আগতকৈয়ো অবাক মানিলে। ৰজাই ল'ৰাটোক সুধিলে, "সঁচা কথা কোৱা, তুমি নিজেই মোৰ ওচৰলৈ আহিছানে তোমাৰ মাৰাই তোমাক ইয়ালৈ পঠাইছে ?"

"মা-ই পঠোৱাহেঁতেন, সম্ৰাট, মা-ই নিজেই আহিলহেঁতেন। পুত্ৰ ফাঁচিৰ জৰীত ওলমিব বুলি জানি, কোনোবাজনী মাতৃয়ে পুত্ৰক পঠাবনে, সম্ৰাট ?" ল'ৰাটোৱে ক'লে, "হে সম্ৰাট! মই নিজে নিজেই দেউতাক বঁচাবলৈ আহিছোঁ।"

ৰজাৰ মন কুমলিল। তেওঁ ক'লে, "মঞ্জুৰ! তোমাৰ প্ৰাৰ্থনা মঞ্জুৰ কৰি তোমাৰ দেউতাৰাৰ প্ৰাণ ৰক্ষা কৰিলোঁ।"

"হে মোৰ প্ৰিয় সম্ৰাট! তেনেহ'লে দেউতাক মুক্তি দিয়ক আৰু মোক বন্দী কৰক।" ল'ৰাটোৱে পুনৰ খাটনি ধৰিলে।

"বোপা! তোমাৰ দেউতাৰাক মুক্তি দিয়াৰ অৰ্থ তোমাক বধ কৰা নহয়। তোমাৰ দৰে যোগ্যৱান পুত্ৰভাগ্য কেইজন মানুহৰ:নো এই জগতত আছে। আনকি মোৰো সেই ভাগ্য নাই। —মোৰেই ক'ৰবাত বিচাৰৰ ভুল হৈছিল। দুষ্ট হু হুৰেনক তোমাৰ পিতৃৰ ৰূপত নিশ্চয় ঈশ্বৰেই দণ্ড বিধান কৰিছিল। —যোৱা, তোমাৰ দেউতাৰাক লৈ যোৱা।"

কথাখিনি কোৱাৰ পাছত ৰজাৰ দুগাল তিয়াই চকুলোৰ ধাৰ বৈ আহিল।



ছুপাৰছোৰাছ

১৯৭২ চনত আমেৰিকাৰ ক'ল'ৰাডোত এক অজ্ঞাত আৰু এক অতিকায় প্ৰজাতিৰ ডায়ন'ছোৰ আৱিষ্কৃত হৈছে। এই ডায়নছোৰৰ কান্ধৰ মাড়ৰ দৈৰ্ঘ্য ৮ ফুট ১০ ইঞ্চি (২.৬৯ মিটাৰ) আৰু কামীহাড়বোৰ দীঘলে ১০ ফুট (৩ মিটাৰ)। এই অতিকায় ডায়ন'ছোৰ কমেও ৯০ ফুট (২৭ মিটাৰ) দীঘল আৰু ২৬ ফুট (৭.৯ মিটাৰ) ওখ আৰু ওজন ১৪০ টনীয়া আছিল বুলি অনুমান কৰা হৈছে। ইয়াৰ নামকৰণ হৈছে—ছুপাৰছোৰাছ।

এই মাইকী-মকৰাই মানুহ এজনক হেলাৰঙে কামুৰি মাৰিব পাৰে। আমেৰিকাৰ প্ৰেইৰি অঞ্চলৰ (আমেৰিকাৰ গছ-গছনি একেবাৰে নথকা ঘাঁহৰ পথাৰ) জুনজুনি সাপতকৈও (ৰ্‍যাটল্ স্নেক) ব্ল্যাক উয়িডো নামৰ এই মাইকী মকৰা ১৫ গুণে অধিক বিষাক্ত। ১৯৫৯ চনৰপৰা ১৯৫৯ চনৰ মাজত এই মাইকী-মকৰাই ৬৩ জন মানুহক মাৰি পেলাইছে।



ব্ল্যাক উয়িডো

দীৰ্ঘজীৱি চৰাই

কোৱা হয় যে এন্‌ডিয়ান কন্‌ডৰ্ নামৰ চৰাই হ'ল চৰাইবিলাকৰ মাজত দীৰ্ঘ-জীৱি। এই প্ৰজাতিৰ এটা চৰাই মস্কোৰ চিৰিয়াখানাত ৭২ বছৰৰো অধিককাললৈ জীৱিত আছে।

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯১ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **মমকাৰ** **ঝম্‌কাৰ** : দ্বিতীয় ফটো

পুৰস্কাৰ প্ৰাপক : **কৰবী চেতিয়া, তিনিচুকীয়া, অসম।**

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বহুৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. Place of Publication	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. Periodicity of Publication	MONTHLY Ist of each calender month
3. Printer's Name	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. Publisher's Name	B.VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. Editor's Name	B.NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. Name and Address of individuals who own the paper	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. Sri B.V. NARESH REDDY 3. Sri B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum. B.L. ARCHANA 9. Kum. B.L. ARADHANA(Minor) (Minor admitted to the benefits of Partnership) 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

1st March 1991

B. VISWANATHA REDDI
Signature of the Publisher

Ta dum,
They
is here
Oops!
Kiddy grammar
sure is catchy—Ya,
they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

MORE THAN A MANGO!
nutrine
Naturo
MANGO FRUIT BAR
NATURO FROM NUTRINE. A THICK JUICY MANGO BAR.
MADE FROM PURE MANGO PULP.
SWEETER AND SO MUCH MORE THAN JUST A MANGO.
nutrine
Mudra:Blr:NN:310:90